# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 3

**The 23rd March 1978**

1978

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
1978

(Budget Session)

Volume I

No. 3

Dated the 23rd March 1978

---

Contents


| | Contents | Page |
|---|---|---|
| 1. | Presentation of Budget .. .. .. | 83 |
| 2. | Budget speech .. .. .. .. | 84—95 |
| 3. | The Assam Finance Bill, 1978 .. .. .. | 96—97 |
| 4. | Debate on Governor's Address .. .. .. | 97-138 |
| 5. | Adjournment .. .. .. .. | 138 |

৪। শেহতীয়া আনুমানিক হিচাপ অনুযায়ী অসমৰ ৰাজ্যিক আয় ১৯৭৬-৭৭ স্থিৰ মূল্যৰ (১৯৪৮-৪৯) ভিত্তিত ৫১৪ কোটি টকা হৈছে। এই সময়ত বৃদ্ধিৰ হাৰ হ'ল শতকৰা ২.৪ ভাগ। কিন্তু স্থিৰ মূল্যত (১৯৪৮-৪৯) জনমুৰি আয়ৰ হাৰ ১৯৭৫-৭৬ চনত ৩০০.৪ টকাৰ ঠাইত ১৯৭৬-৭৭ চনত ২৯৮.৭ টকালৈ সামান্য পৰিমানে কম হোৱা পৰিলক্ষিত হয়।

৫। অসমত ঔদ্যোগিক উৎপাদনৰ সূচী ১৯৭৫ চনৰ ১১৮ ৰ পৰা ১৯৭৬ চনত ১২৪ লৈ বৃদ্ধি পায়। অৱশ্যে কৃষি উৎপাদনৰ সূচীৰ ক্ষেত্ৰত ১৯৭৫-৭৬ চনৰ ১১৯ ৰ ঠাইত ১৯৭৬-৭৭ চনত ১১৭ লৈ হ্ৰাস পোৱাটো পৰিলক্ষিত হয়।

মূল্য পৰিস্থিতি ঃ

৬। সমগ্ৰ দেশতে পৰিস্থিতি সহজ থকা সত্বেও অসমে কিছুমান আৱশ্যকীয় খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত বৰ্দ্ধিত মূল্য আৰু নাটনিৰ হেচাঁ সহিবলগীয়া হয়। ঘাইকৈ খোৰাতেল আৰু ডাইলৰ দাম বঢ়াৰ কাৰণেই বাৰ্ষিক গড় ক্ৰেতা মূল্য সূচী অসমত ১৯৭৬ চনৰ ৩৩০ ঠাইত ১৯৭৭ চনত ৩৬৭ লৈ বৃদ্ধি পায়। বৰ্ত্তমান চৰকাৰ এই পৰিস্থিতিৰ প্ৰতি সজাগ আৰু মূল্য বৃদ্ধি ৰোধ কৰিবলৈ যত্ন তৎপৰ হব।

নিয়োগ ঃ

৭। অসমত নিয়োগ পৰিস্থিতি সন্তোষজনক নাছিল। নিয়োগ বিনিময় কেন্দ্ৰৰ চলন্ত পঞ্জীয়নত চাকৰি প্ৰাৰ্থীৰ সংখ্যা ১৯৭৫ চনৰ ডিচেম্বৰৰ ১.৯ লাখৰ ঠাইত ১৯৭৬ চনৰ ডিচেম্বৰৰ মাহত ২.১ লাখলৈ বৃদ্ধি পায়। ১৯৭৭ চনৰ অক্টোবৰলৈ এই সংখ্যা ২.৪ লাখলৈ বৃদ্ধি পায়। ইয়াৰে ভিতৰত ৯৮৬১৫ জন হল শিক্ষিত নিবনুৱা। এওঁ-লোকৰ ভিতৰত ৬৬ জন ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী, ৮৮৪ জন স্নাতকোত্তৰ ডিগ্ৰীধাৰী, আৰু ১৫৪৮৫ জন স্নাতক নিবনুৱা। ৰাজ্যখনত নিয়োগৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিবৰ বাবে বৰ্ত্তমান চৰকাৰে বিভিন্ন আঁচনি সক্ৰিয় ভাৱে বিবেচনা কৰি আছে।

বাৰ্ষিক পৰিকল্পনা—১৯৭৮-৭৯ ঃ

৮। পৰিকল্পনা আয়োগে অসমৰ ১৯৭৮-৭৯ চনৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ আকাৰ ১৫৫ কোটি টকাত নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰ ভিতৰত ১১ কোটি টকা পাহাৰীয়া অঞ্চলৰ বাবে আৰু ১০ কোটি টকা জনজাতীয় উপ-পৰিকল্পনাৰ বাবে ধৰা হৈছে। এই-টোৰ পৰা ধৰিব পাৰি যে চলিত বছৰৰ বাৰ্ষিক পৰিকল্পনাৰ তুলনাত এইবাৰৰ পৰি-কল্পনা শতকৰা প্ৰায় ৩০ ভাগৰ এক বৃজন পৰিমাণত বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও জনজাতীয় উপ-পৰিকল্পনাৰ বাবে ৩.২৫ কোটি টকা আৰু পাৰ্বৰ্ত্য পৰিকল্পনাৰ বাবে ৭.৯ কোটি টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যৰ সন্মতি পোৱা হৈছে। বছৰটোৰ ভিতৰত উচিত বুলি বিবেচিত হলে পৰিকল্পনা আয়োগ অসমক নতুন বিদ্যুৎ প্ৰকল্পৰ বাবে অতিৰিক্ত আৱশ্যকীয় ধনৰ বিষয়টো সহানুভূতিৰে বিবেচনা কৰিবলৈ প্ৰতিশ্ৰুতি দিছে। ১৯৭৮-৭৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ সৰ্ব্বমুঠ ব্যয় ১৬৬ কোটি টকা হব বুলি ঠাৱৰ কৰা হৈছে।

পাৰ্বত্য অঞ্চল ঃ

৯। অনুসূচীত জনজাতীয় ৰাইজৰ উন্নতিৰ বাবে এক সৰ্বাত্মক প্ৰচেষ্টা চলোৱাটোৱেই হল বৰ্ত্তমান চৰকাৰৰ অৰ্থনৈতিক নীতিৰ এক মূল আধাৰ। এই উদ্দেশ্য আগত ৰাখিয়েই কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰ জিলাত ১৯৭৮-৭৯ চনৰ বাবে এখন সংহত উন্নয়ন আঁচনি গ্ৰহণ কৰিব খোজা হৈছে। এই ক্ষেত্ৰত ৰাজ্যিক পৰিকল্পনাৰ ১১ কোটি আৰু কেন্দ্ৰীয় সংযোজিত ব্যয়ৰ বাবদ ৭.৯০ কোটি টকা ধৰি মুঠ বিত্তীয় ব্যয় ১৮.৯০ কোটি টকা ধৰা হৈছে। কৃষি, পৰিবহন, যাতায়াত, উদ্যোগ, খনি পানী, শক্তি, শিক্ষা আৰু স্বাস্থ্যৰ দৰে বিভিন্ন ক্ষেত্ৰত এলানি আঁচনি প্ৰস্তুত কৰা হৈছে।

অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি ঃ

১০। অনুসূচীত জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিচপৰা জাতিৰ অৱস্থাৰ উন্নতিৰ অৰ্থে একে ধৰণৰ প্ৰচেষ্টা চলোৱা হব। এই সম্পৰ্কত বিভিন্ন বিভাগ আৰু অনুষ্ঠানত চাকৰি সংৰক্ষণ আৰু পূৰণ কৰাৰ বিষয়টোৰ লগত বিশেষ সম্পৰ্ক ৰাখি কালেলকাৰ আয়োগৰ প্ৰতিবেদনখন কি ধৰণেৰে কাৰ্যকৰী কৰা হৈছে তাৰ অগ্ৰগতিৰ সম্পৰ্কে নিবিড়তৰ দৃষ্টি ৰাখিবৰ বাবে চৰকাৰে প্ৰস্তাৱ কৰিছে।

কৃষি ঃ

১১। কৃষিৰ প্ৰতি কৰা অৱহেলাই হল আমাৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণ। এই অৱস্থাৰ উন্নতি কৰিবলৈ হলে কৃষি উৎপাদন বৃদ্ধি, গ্ৰাম্য অঞ্চলৰ কৰ্মহীনতা হ্ৰাস আৰু কৃষকসকলক কৃষি উৎপাদনৰ উচিত মূল্যৰ প্ৰতিশ্ৰুতি দি আঁচনি গ্ৰহণ কৰাটো প্ৰয়োজন হৈ পৰিছে। এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাপে অহা বছৰত খাদ্য উৎপাদনৰ আঁচনি ব্যাপক কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

১২। উচ্চ উৎপাদনক্ষম শস্যৰ উৎপাদন আঁচনি, বহু বিধ শস্যৰ উৎপাদন, ৰবি শস্যৰ উৎপাদনৰ এলেকা সম্প্ৰসাৰণ, শ্ৰম ব্যাপক আৰু সুস্হ পৰচালনাৰ ব্যৱস্হা গ্ৰহণ আৰু নিয়ন্ত্ৰিত বজাৰ আৰু সৰুসুৰা বজাৰৰ সংখ্যা বৃদ্ধি আদিৰ প্ৰতি অধিক দৃষ্টি ৰাখিবলৈ স্হিৰ কৰা হৈছে।

পশু পালন ঃ

১৩। ১৯৭৮-৭৯ চনৰ বছৰটোত পশু পালনৰ সংশ্লিষ্ট ক্ষেত্ৰত এলানি নতুন আঁচনি গ্ৰহণ কৰা হব। খানাপাৰাত থকা শীতল বীৰ্য্য বেংকৰ সম্প্ৰসাৰণ, ৰাজ্য খনৰ মহৰ সচঁ উন্নত কৰিবৰ কাৰণে এখন মহ প্ৰজনন পাম স্হাপন, খাকি কেম্বেল হাঁহ উৎপাদন পাম স্হাপন, দুখন গাহৰি পাম (এখন ভৈয়ামত আৰু এখন পাহাৰ অঞ্চলত) আৰু এটা খাদ্য বিশ্লেষণ গৱেষণাগাৰ স্হাপন আদি আঁচনি ইয়াত সামৰি লোৱা হৈছে।

**মীন পালন ঃ**

১৪। মীন পালনৰ ক্ষেত্ৰটো একেধৰণৰ আঁচনি গ্ৰহণ কৰিবলৈ লোৱা হৈছে । অসম মীন উন্নয়ন নিগমে মাছ পোহা বিল বিলাকৰ উন্নয়নৰ কাৰণে লোৱা আঁচনিৰ উপৰিও পৰিত্যক্ত মীনমহল বিলাকৰ উন্নতি সাধনৰ ব্যৱস্হা কৰাটোও প্ৰস্তাৱ কৰা হৈছে । জয়সাগৰ প্ৰশিক্ষণ কেন্দ্ৰত ক্ষেত্ৰ কৰ্ম্মী সকলক প্ৰশিক্ষণ দিয়াত অধিক গুৰুত্ব দিয়া হব ।

**একত্ৰিত গ্ৰাম্য উন্নয়ন ঃ**

১৫। এই বছৰ কেন্দ্ৰীয় চৰকাৰে লাভজনক নিয়োগৰ অধিক সুবিধা দিয়াৰ জৰিয়তে গাঁৱৰ দৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত থকা লোকসকলৰ ক্ৰয় ক্ষমতা বঢ়োৱাৰ উদ্দেশ্যে একত্ৰিত গ্ৰাম্য উন্নয়ন প্ৰকল্পৰ কাম আৰম্ভ কৰিছে । ইয়াৰ ফলত ভূমিহীন শ্ৰমিক আৰু উপান্ত কৃষকসকল ঘাইকৈ উপকৃত হব । অসমৰ কামৰূপ জিলাক বিশখন জিলাৰ ভিতৰতে এখন হিচাপে বাছি লোৱা হৈছে ।

১৬। পাঁচ কোটি টকা ব্যয় সাপেক্ষে ৰেচম, পশুপালন, উদ্যান, কুটীৰ শিল্প, মীনপাম আৰু জলসিঞ্চনৰ মুঠ ১১ খন আঁচনি ইতিমধ্যে প্ৰস্তুত কৰা হৈছে । ইয়াৰ ভিতৰত ১.১৮ কোটি টকাৰ বেংকৰ সাহায্যও অন্তৰ্ভুক্ত হৈ আছে । ভাৰত চৰকাৰে এই সকলোবোৰ আঁচনি গ্ৰহণ কৰিছে ।

১৭। গ্ৰাম্য উন্নয়নৰ আঁচনিত শিল্প আৰু বাণিজ্যৰ প্ৰতিষ্ঠানসমূহক জড়িত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে তেনে প্ৰতিষ্ঠানসমূহে গ্ৰাম্য সমাজৰ সামাজিক অৰ্থনৈতিক উন্নয়নৰ হকে লোৱা প্ৰকল্প সমূহত কৰা ব্যয়ৰ ক্ষেত্ৰত কৰ আৰোপন কৰিবলগীয়া লাভ আয় কৰৰ পৰা ৰেহাই দিবলৈ আয়কৰ আইনত যথোপযুক্ত ব্যৱস্হা গ্ৰহণ কৰিছে । অসমত ব্যৱসায়ী গোষ্ঠীলৈ এই সম্পৰ্কত সহযোগিতাৰ বাবে ৰাজ্য চৰকাৰে কৰা গোহাৰিৰ প্ৰতি পোৱা সহাঁৰি উৎসাহজনক ।

**জলসিঞ্চন ঃ**

১৮। কৃষি উৎপাদন বহু পৰিমাণে জলসিঞ্চনৰ ওপৰত নিৰ্ভৰশীল। যিবোৰ অঞ্চলত জলসিঞ্চন ব্যৱস্হা কৰা হৈছে, সেইবোৰত দুটীয়া আৰু বহুবিধ শস্যৰ খেতি কৰাটো সহজ হৈছে । ১৯৭৮-৭৯ চনত বাৰ্ষিক পৰিকল্পনাত বৃহৎ, মজলীয়া জলসিঞ্চন খণ্ডৰ বাবে বিত্তীয় ব্যয় ধৰা হৈছে ১০.৯০ কোটি টকা আৰু ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ বাবে ব্যয় ধৰা হৈছে ১২.২৭ কোটি টকা । এইটো আশা কৰা হৈছে যে এই ব্যৱস্হাই গ্ৰাম্য যুৱকসকলৰ বাবে অধিক নিয়োগৰ সুবিধা আগবঢ়াব । এইটোও আশা কৰা হৈছে যে ইয়াৰ ফলত জনজাতীয় অঞ্চল অধিক উপকৃত হব, কিয়নো, বৃহৎ আৰু মজলীয়া জলসিঞ্চন আঁচনিৰ পৰা পোৱা উপকাৰৰ উপৰিও ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ এক অবিচ্ছেদ্য অঙ্গ হিচাপে এখন আছুতীয়া জনজাতীয় উপ-পৰিকল্পনা অন্তৰ্ভুক্ত কৰা হৈছে ।

বান নিয়ন্ত্ৰণ ঃ

১৯। অসমত বানপানী এটা সদায় ঘটি থকা ঘটনা। চলিত বছৰত বানপানীয়ে বিস্তৰ ক্ষতি সাধন কৰে আৰু এই ক্ষতিৰ পৰিমাণ ২৬·০০ কোটি টকাৰ অধিক হব বুলি নিৰ্ধাৰণ কৰা হৈছে আৰু বানপানীৰ ফলত প্ৰায় ৪৫ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰিও ৭২ জন লোকৰ প্ৰাণহানি হৈছে।

২০। চৰকাৰে ব্যাপক আৰু দীৰ্ঘকালীন ভিত্তিত বান নিয়ন্ত্ৰণৰ ব্যৱস্থা হাতত লবলৈ প্ৰস্তাৱ কৰিছে। এই সন্দৰ্ভত, কাছাৰ জিলাৰ বৰাক নদীৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সোৱণশিৰী আৰু দিহং নদীৰ ওপৰৰ বান্ধৰ বাবে চলোৱা অনুসন্ধানৰ বৰ্ত্তমানৰ অগ্ৰগতি অত্যন্ত আগ্ৰহৰ সৈতে দৃষ্টি ৰাখিব।

ভূমি ৰাজহ আৰু ভূমি সংস্কাৰ ঃ

২১। অসমত ভূমি সংস্কাৰৰ অগ্ৰগতি বৰং মন্থৰ বেগত- চলিছে। অগ্ৰগতি খৰ তকীয়া কৰিবৰ বাবে বহুতো ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে বিভিন্ন ভূমি সংস্কাৰ আইনসমূহৰ অধীনত অধিগ্ৰহণ কৰা মাটিত ৰায়তসকলক মালিকী-স্বত্ব দিয়াৰ বাবে পুনৰ বন্দোবস্তীৰ ব্যৱস্থা, ১৯৫৬ চনৰ অসম ভূমি সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ আইনৰ অধীনত অধিগ্ৰহণ কৰা মাটিৰ বিতৰণ আৰু ১৯৭১ চনৰ অসম (অস্থায়ী বন্দোবস্তী অঞ্চল) ৰায়তী আইনৰ অধীনত ৰায়তীস্বত্বৰ নথি-পত্ৰ প্ৰস্তুতকৰণ। চৰকাৰী নীতিসমূহ কাৰ্য্যকৰী কৰোতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হলে সেই-বোৰ আঁতৰাবলৈ প্ৰয়োজন অনুযায়ী প্ৰাসঙ্গিক আইনসমূহৰ যথোপযুক্ত সংশোধন এই সন্মানিত সদনত উত্থাপন কৰা হব। ইয়াৰ উপৰিও, নিম্নতম প্ৰয়োজনীয় আঁচনিৰ অধীনত বাসস্থানৰ মাটি দিয়া ভূমিহীন কৃষকসকলক আৰু চিলিং আইনমতে পোৱা ৰাহি মাটি বিতৰণ কৰা লোকসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ কেতবোৰ আঁচনি ইতিমধ্যে হাতত লোৱা হৈছে।

২২। নতুন চৰকাৰৰ দ্বাৰা লোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যৱস্থা হৈছে দহ বিঘালৈকে খেতিৰ মাটিৰ ভূমি ৰাজহ পৰিশোধ কৰাৰ পৰা ৰেহাই দিয়াটো। ইয়াৰ ফলত বছৰি ৭০.০০ লাখতকৈও অধিক ৰাজহ প্ৰকৃততে হেৰুৱাব লগীয়া হব।

২৩। দহ বিঘাৰ ওপৰৰ মাটিৰ ভূমি ৰাজহৰ ওপৰত লগোৱা শতকৰা ৩০ ভাগ উপ-কৰ (Surcharge) উঠাই দিবলৈয়ো প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ ফলত বছৰি প্ৰায়৪০·০০ লাখ টকা প্ৰকৃততে হেৰুৱাব লগীয়া হব। ইয়াৰ উপৰিও ১৯৭২ চনৰ পৰা এই শিতানত অনাদায়ী হৈ থকা আৰু প্ৰায় ২.৪৭ কোটি টকাও ৰাজ্যিককোষাগাৰে হেৰুৱাব লগা হব।

বনাঞ্চল ঃ

২৪। এই চৰকাৰে ৰাজ্যৰ বনাঞ্চল আৰু বনজ সম্পদসমূহ যথাসম্ভৱ উৎকৃষ্ট ধৰণে ব্যৱহাৰ কৰাৰ প্ৰশ্নটো পৰীক্ষা কৰি আছে। ১৯৭৮-৭৯ চনৰ বছৰটোত পুনৰুজ্জীৱন আৰু বৃক্ষৰোপণ, প্ৰতিৰোধ বাহিনী, যাতায়ত, পাম বৃক্ষৰোপণ আৰু অৱসৰ বিনোদন বৃক্ষ ৰোপনৰ দৰে কেতবোৰ আঁচনি হাতত লবলৈ প্ৰস্তাৱ কৰা হৈছে।

উদ্যোগ ঃ

২৫। কেন্দ্ৰত জনতা চৰকাৰে উদ্ভাৱন কৰা নতুন ঔদ্যোগিক নীতিৰ মূল উদ্দেশ্য হৈছে ঔদ্যোগিক আধাৰ প্ৰসাৰিত কৰা আৰু দেশৰ ব্যাপক জনশক্তি ব্যৱহাৰ কৰা। এই যৌথ উদ্দেশ্য সাধন কৰিবলৈ ক্ষুদ্ৰ, ক্ষুদ্ৰতম, গ্ৰাম্য, কুটীৰ আৰু ঘৰুৱা উদ্যোগ সমূহৰ ওপৰত অতিশয় গুৰুত্ব আৰোপ কৰা হৈছে। ক্ষুদ্ৰতম খণ্ডত নিৰ্মাণৰ বাবে মুঠ ৫০৪ টা সামগ্ৰী সংৰক্ষিত কৰি ৰখা হৈছে।

২৬। এই নীতি কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেক জিলাৰ সদৰত জিলা উদ্যোগ কেন্দ্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ লৈছে। জিলা উদ্যোগ কেন্দ্ৰ সমূহ সকলো গ্ৰাম্য ঔদ্যোগিক কাম-কাজৰ বাবে কেন্দ্ৰস্থল হ'ব আৰু এখন চালিৰ তলতে উদ্যোগীসকলক বিভিন্ন সেৱাৰ যোগান ধৰিব'। আৰম্ভণিতে তেনে কেন্দ্ৰ কামৰূপ, ডিব্ৰুগড়, কাছাৰ আৰু গোৱালপাৰা জিলাত খোলা হ'ব।

২৭। ইয়াৰ উপৰিও সমগ্ৰ ৰাজ্যখনকে উদ্যোগৰ ক্ষেত্ৰত অনগ্ৰসৰ ৰাজ্য বুলি ঘোষণা কৰিবলৈ আৰু পৰিবহন সাহায্যৰ আঁচনি প্ৰশস্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে। ইয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে উৎসাহ যোগোৱাৰ নিজস্ব আঁচনি শক্তিশালী আৰু প্ৰশস্ত কৰিবলৈ প্ৰস্তাৱ কৰিছে ।

২৮। পঞ্চগ্ৰাম আৰু জাগীৰোডৰ দুটা কাগজ কল বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ' ৰাসায়নিক চক্ৰই যোগোৱা পৰোক্ষ উৎপাদন আৰু নিয়োগৰ সুবিধা গ্ৰহণ কৰিবলৈ উৰ্জান আৰু নামনিৰ গোট সমূহৰ উন্নয়নৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ কাম হাতত ল'বলৈ প্ৰস্তাৱ কৰা হৈছে ।

ৰাজহুৱা উদ্যোগ ঃ

২৯। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাম-কাজ উন্নত কৰিবলৈ সংশ্লিষ্ট বিষয়া সকলৰ বাবে আৰু কেইটিমান প্ৰশিক্ষণ পাঠ্যক্ৰম হাতত ল'বলৈ আৰু এই প্ৰতিষ্ঠান সমূহৰ পৰিচালনা কাৰ্য্যক্ৰমণিকা আৰু উন্নীত কৰাত সহায় কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে ।

ৰেচম আৰু বয়ন ঃ

৩০। অসমত উপৰুৱা নিয়োগ সঞ্চাৰ কৰাত ৰেচম আৰু বয়নৰ বিভাগৰ কথা দোহাৰিবৰ প্ৰয়োজন নাই । এই চৰকাৰে যথাসম্ভৱ অতি কম সময়ৰ ভিতৰতে নিয়োগৰ স্থল সৃষ্টি হোৱাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে । ১৯৭৮-৭৯ বছৰটোত এই ক্ষেত্ৰত কেতবোৰ নতুন প্ৰকল্প হাতত ল'বলৈ প্ৰস্তাৱ কৰিছে । ইয়াৰ ভিতৰতে আছে এটা এৰী সম্প্ৰসাৰণ সেৱা কেন্দ্ৰ, এটা মুগা আহাৰ-গছৰ নাৰ্চাৰী ওক্ টছৰ (Oak Tassar) উন্নয়নৰ বাবে দুটা মুখ্য প্ৰকল্প (এটা কাৰ্বি আংলঙত আৰু আনটো উত্তৰ কাছাৰ জিলাত) আৰু আৰিমত্তা সমূহীয়া নুনী বাগিছাৰ ৰেচম চক্ৰলৈ ৰূপান্তৰকৰণ। হস্ত চালিত তাঁত শাল, শক্তিচালিত তাঁত শাল আৰু কপাহী সূতা কটা কল সামৰি অসমৰ বয়ন ঔদ্যোগৰ সকলো দিশ উন্নীত কৰিবলৈ এটা বয়ন নিগম কৰাৰ প্ৰস্তাৱো কৰা হৈছে ।

বিদ্যুৎ শক্তি :

৩১। ৰাজ্যখনত বিজুলী শক্তি উন্নয়নৰ বৃহৎ সম্ভাৱনীয়তা থকা সত্বেও বৰ্ত্তমানলৈকে এই ক্ষেত্ৰত অসমে যথেষ্ট অগ্ৰগতি লাভ কৰিব নোৱাৰাটো সচাঁকৈয়ে দুৰ্ভাগ্য-জনক কথা। ইয়ে ঔদ্যোগিক বিকাশত ব্যাঘাত জন্মাইছে। কেৱল প্ৰায় ৰাজ্যখনৰ শতকৰা দহ ভাগ গাঁৱতহে বিজুলী শক্তিৰ যোগান ধৰা হৈছে। পঞ্জাৱ আৰু হাৰিয়ানাৰ দৰে ৰাজ্য সমূহৰ লগত, য'ত সকলো গাঁৱেই বৈদ্যুতিকৰণ কৰা হৈছে, তুলনা কৰিলে ইয়াৰ অৱস্থা অতি শোকাবহ পৰিলক্ষিত হয়।

৩২। বৰ্ত্তমানে অসমত বিজুলী শক্তি উৎপাদনৰ ক্ষমতা কেৱল ১৪১ মেগাৱাট। ১৯৮৩-৮৪ চনত ইয়াৰ নিৰ্দ্ধাৰিত চাহিদা পূৰণ কৰিবলৈ হ'লে বিজুলী শক্তি উৎপাদনৰ সামৰ্থ্য ৬৬৪মেগাৱাট হোৱাটো আৱশ্যক হ'ব। ইয়াৰ অৰ্থ এয়ে অহা পাঁচ বছৰৰ ভিতৰত ৫০০ মেগেৱাটৰ অধিক অতিৰিক্ত বিজুলী উৎপাদনৰ ব্যৱস্থা কৰিব লাগিব। বিজুলী শক্তিৰ এই চাহিদাৰ লগত সামঞ্জস্য ৰাখি বিজুলী শক্তিৰ ট্ৰেন্সমিশ্যন আৰু ডিষ্ট্ৰিবিউচন লাইনো সম্প্ৰসাৰণ কৰিব লগা হব।

৩৩। ১৯৭৮-৭৯ চনত এহেজাৰখন গাওঁ গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনলৈ আনিবলৈ প্ৰস্তাৱ কৰা হৈছে। চাৰিটা নতুন প্ৰকল্পৰ কাম যেনে বৰপানী জলবিদ্যুৎ প্ৰকল্প (৫০ মেগাৱাট×২), বঙ্গাইগাওঁ থাৰ্মেল পাৱাৰ ষ্টেশ্যন সম্প্ৰসাৰণ (৬০ মেগা প্ৰকল্প (৫০ মেগাৱাট×২), বঙ্গাইগাওঁ থাৰ্মেল পাৱাৰ ষ্টেশ্যন সম্প্ৰসাৰণ (৬০ মেগা-ৱাট×৩), চন্দ্ৰপুৰ থাৰ্মেল পাৱাৰ ষ্টেশ্যন সম্প্ৰসাৰণ (৩০ মেগাৱাট×১) আৰু বৰ্দিখাৰু মাইক্ৰো হাইদেল প্ৰজেক্ট (৫ মেগাৱাট) অহা বছৰত আৰম্ভ কৰা হব।

গড়কাপ্তানি :

৩৪। ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ লগত গাথনিগত সুবিধাৰ বিশেষকৈ ৰাস্তাৰ ব্যৱস্থাৰ পোনপটীয়া সম্পৰ্ক আছে। ঔদ্যোগিক বিকাশ আৰু গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন যাতে যথোপযুক্ত ৰাস্তাৰ অভাৱত ব্যাহত নহয়, তাৰ প্ৰতি লক্ষ্য ৰখাটো এই চৰকাৰৰ নীতি। ১৯৭৮-৭৯ চনত অনুন্নত জনজাতীয় অঞ্চলত ৩০ কিলোমিটাৰ ৰাস্তা নিৰ্ম্মাণ কৰাকে ধৰি গ্ৰাম্য অঞ্চলত ৬০০ কিলোমিটাৰ নতুন ৰাস্তা নিৰ্ম্মাণ কৰা হব আৰু ১৩০ কিলো-মিটাৰ ৰাস্তা সমান কৰা হব। ই কৃষিজাত সামগ্ৰী গাঁৱৰ পৰা বজাৰলৈ অনাত সহায় কৰিব বুলি আশা কৰা হৈছে। গুৱাহাটীত এখন আৰু তিনিচুকীয়াত এখন মুঠতে দুখন অভাৰ ব্ৰিজৰ কাম অহা বছৰত আৰম্ভ কৰা হব।

৩৫। জোনাইলৈ নৰ্থ ট্ৰাংক ৰাস্তাটো ৰাষ্ট্ৰীয় ৰাজপথ হিচাপে ঘোষণা কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ডিব্ৰুগড়, যোগীঘোপা আৰু শিলঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্ম্মাণৰ বাবে একেই প্ৰচেষ্টাকে চলোৱা হব।

স্বাস্থ্য :

৩৬। চৰকাৰৰ ঘোষিত নীতি অনুযায়ী সমূহীয়া স্বাস্থ্য কৰ্ম্মী আঁচনিখন ব্যাপক-তৰ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। গঞা ৰাইজক স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত স্বাস্থ্য উন্নয়ন আৰু

ৰোগ প্ৰতিষেধক ব্যৱস্থা সম্পৰ্কে শিক্ষা আৰু তথ্যৰ যোগান ধৰাৰ উদ্দেশ্যে উপযুক্ত কৰ্ম্মী কিছুমানক প্ৰশিক্ষণ দিয়াটোৱেই এই আঁচনিখনৰ লক্ষ্য। দহখন জিলাৰ দহোটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা ১৯৫ জন কৰ্ম্মীৰ প্ৰথম দলটো ইতিমধ্যে প্ৰশিক্ষণ দিয়া হৈ গৈছে আৰু ১৮৮ জন কৰ্ম্মীৰ দ্বিতীয় দলটোৱে বৰ্ত্তমানে প্ৰশিক্ষণ লৈ আছে। অহা বছৰ তেনে কৰ্ম্মী সকলক কামৰূপ জিলাৰ সকলো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰশিক্ষণ দিয়াটো সম্ভৱ হব বুলি আশা কৰা হৈছে। বৰ্ত্তমানে থকা ৫৬১ খনৰ উপৰিও আৰু দশখন প্ৰাথমিক স্বাস্থ্য উপকেন্দ্ৰ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

৩৭। ৰাজ্যিক চিকিৎসালয় সমূহত বহিঃ ৰোগীৰ ক্ষেত্ৰত ধাৰ্য্য কৰা ২৫ পইচাৰ মাচুল উঠাই দিবলৈ সিদ্ধান্ত কৰা হৈছে। সামৰ্থ্যহীন লোকসকলৰ ক্ষেত্ৰত ক্লিনিকেল আৰু এক্সৰে পৰীক্ষাও বিনামূলীয়া কৰিবলৈ স্থিৰ কৰা হৈছে। বহিঃ ৰোগীৰ পৰা লোৱা মাচুল উঠাইদিয়াৰ ফলত প্ৰতি বছৰে প্ৰায় ৫ লাখ টকাৰ ৰাজহ হেৰুৱাব লগীয়া হব।

**পৰিয়াল কল্যাণ :**

৩৮। পৰিয়াল কল্যাণ সম্পৰ্কত নাগৰিকৰ মৰ্য্যাদা আৰু তেওঁৰ নিজৰ পৰিয়ালৰ আকাৰ তেওঁ নিজে স্থিৰ কৰিব পৰা অধিকাৰৰ ভিত্তিতে এই চৰকাৰৰ দৃষ্টিভংগী গঢ় লৈছে।

এই লক্ষ্যত উপনীত হবৰ কাৰণে জনসাধাৰণৰ দুৱাৰে দুৱাৰে বাৰ্ত্তা যোগাবলৈ গণ সংযোগৰ সকলোবোৰ মাধ্যমকে কামত লগোৱা হৈছে যাতে প্ৰত্যেক পুৰুষ-মহিলাই তেওঁৰ বিশেষ পৰিস্থিতিৰ লগত খাপ খোৱাকৈ সৰ্বোৎকৃষ্ট উপায় নিজেই বাছি লব' পাৰে।

**পাইপেৰে পানী যোগান ব্যৱস্থা :**

৩৯। ১৯৭৭-৭৮ বছৰটোত ২৯০ খন গাঁৱৰ ৩.৩৫ লাখ জনসাধাৰণ উপকৃত হব' পৰাকৈ পাইপেৰে পানী যোগানৰ ৮২ খন আঁচনিৰ কাম সম্পূৰ্ণ কৰিব পৰা হব বুলি আশা কৰা হৈছে। তদুপৰি, হস্ত চালিত নলীনাদ আৰু পকী কুৱাঁৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহে ৭৪২ খন গাঁৱৰ ৪.৩২ লাখ লোকৰ উপকাৰ সাধিব বুলি আশা কৰা হৈছে। পানী দূষিতকৰণ নিয়ন্ত্ৰণ কৰিবৰ বাবে লোৱা আঁচনিৰ অধীনত ৰাষ্ট্ৰসংঘৰ উন্নয়নমূলক কাৰ্য্যসূচীৰ সহায়ত পানী দূষিতকৰণ ৰোধৰ বাবে এটা আঞ্চলিক গৱেষণাগাৰ স্থাপন কৰিব খোজা হৈছে।

**শিশু কল্যাণ :**

৪০। প্ৰতিজন শিশুৱেই একোজন আদৰ্শবান নাগৰিক হিচাপে গঢ় লব পৰাকৈ যথেষ্ট সা-সুবিধা আগবঢ়োৱা ক্ষেত্ৰত এই চৰকাৰে সৰ্বাধিক গুৰুত্ব স্বীকাৰ কৰিছে।

ৰাষ্ট্ৰসংঘই ১৯৭৯ চনৰ বছৰটোক আন্তৰ্জাতিক শিশু বৰ্ষ হিচাপে ঘোষণা কৰিবলৈ লোৱা প্ৰস্তাৱটোৰ লগত সংগতি ৰাখি চৰকাৰী আৰু স্বেচ্ছাসেৱী সংস্থাসমূহৰ জৰিয়তে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

সমাজ কল্যাণ ঃ

৪১। ৰাজ্যিক সমাজ কল্যাণ উপদেষ্টাবৰ্ডৰ পুনৰ সংগঠনৰ প্ৰশ্নটো ভাৰত চৰকাৰৰ সৈতে আলাপ-আলোচনাৰ যোগেদি এই চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

শ্ৰম ঃ ... ... ... ...

৪২। কেন্দ্ৰৰ জনতা চৰকাৰৰ নীতিৰ লগত সামঞ্জস্য ৰাখি এই চৰকাৰেও শ্ৰমিক সংগঠন সমূহৰ মৌলিক অধিকাৰৰ প্ৰতি সন্মান দৰ্শাব আৰু চাহ বাগিছা বনুৱা আইন আৰু বনাচ আইনকে ধৰি বনুৱা আইনৰ বিধিসমূহ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন ঃ

৪৩। স্থানীয় জনসাধাৰণক পঞ্চায়তীৰাজ অনুষ্ঠান সমূহৰ শ্ৰম-কাজত অংশ গ্ৰহণ কৰাত উৎসাহ দানৰ অৰ্থে ৰাজ্য চৰকাৰে বাজেটত ধাৰ্য্য কৰা ধন সাহায্য মঞ্জুৰী বা অন্যান্য প্ৰকাৰে তেওঁলোকৰ তত্বাৱধানত দিছে। ১৯৭৮-৭৯ চনত এই অনুষ্ঠান সমূহে গাঁও অঞ্চলত কুৱাঁ নিৰ্ম্মাণ আঁচনিৰ লগতে প্ৰাক্-বিদ্যালয় আৰু বিদ্যালয়ৰ পুষ্টিকৰ খাদ্য যোগান আঁচনি আদি কেইবাটাও আঁচনি কাৰ্য্যকৰী কৰিবলৈ সক্ষম হব বুলি আশা কৰা যায়। গড়কাপ্তানী পথৰ লগত গাঁও সমূহক সংযুক্ত কৰিবৰ বাবে কেন্দ্ৰীয় সাহায্যৰে গাঁও সংযোগকাৰী পথ নিৰ্ম্মাণৰ ব্যৱস্থাই যাতায়তৰ ক্ষেত্ৰত অধিক সুচলতা আনিব বুলি আশা কৰা হৈছে। এনে ধৰণৰ আঁচনি পাহাৰ অঞ্চলৰ জিলা পৰিষদ সমূহেও কাৰ্য্যকৰী কৰিব বুলি আশা কৰা হৈছে।

পৌৰ প্ৰশাসন ঃ

৪৪। চহৰ অঞ্চলৰ উন্নয়নৰ আৱশ্যকত এই চৰকাৰে স্বীকাৰ কৰে। ১৯৭৮-৭৯ চনৰ কালছোৱাত চহৰ অঞ্চলৰ পানী যোগান আঁচনি হাতত লবলৈ ৰাজ্য চৰকাৰৰ দায়িত্বত জীৱন বীমা নিগমৰ পৰা পৌৰসভাআৰু নগৰ সমিতিসমূহক ঋণ লোৱাত সহায় কৰিবৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

গৃহ নিৰ্ম্মাণ ঃ

৪৫। গৃহ নিৰ্ম্মাণৰ সম্পৰ্কত জনতা গৃহ নিৰ্ম্মাণ আঁচনি নামেৰে এখন নতুন আঁচনি প্ৰৱৰ্ত্তন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই আঁচনি অনুসৰি ব্যক্তিগত মাটিৰ ওপৰত গৃহ নিৰ্ম্মাণ বৰ্ডে কম খৰচী ঘৰ নিৰ্ম্মাণ কৰিব। এই আঁচনিৰ দ্বাৰা উপকৃত হোৱা ব্যক্তিগত লোকৰ অৰ্থনৈতিক অৱস্থা অনুসৰি গৃহ নিৰ্ম্মাণ খৰচৰ শতকৰা যাঠি ভাগ পৰ্য্যন্ত সাহায্য দিয়া হব পাৰে। ধনৰ বাকী অংশ দহ বছৰ সময়ৰ ভিতৰত সহজ কিস্তিত আদায় কৰা হব। মজলীয়া আয়ৰ গৃহ নিৰ্ম্মাণ আঁচনি, নিম্ন

আয়ৰ গৃহ নিৰ্ম্মাণ আঁচনি, অৰ্থনৈতিক ভাবে দুৰ্বল শ্ৰেণী আঁচনি (ভাড়া ঘৰত থকা), সাহায্যপুষ্ট ঔদ্যোগিক গৃহ নিৰ্ম্মাণ আঁচনিৰ বাহিৰেও ই এক ওপৰঞ্চি আঁচনি হব।

**সমবায়ঃ**

৪৬। কৃষিজাত সামগ্ৰীৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত সমবায় সমূহে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। বৰ্ত্তমানে থকা সমবায় সমূহৰ কাম-কাজ আশা কৰাতকৈ বহুখিনি পিচ পৰি আছে। কৃষি ভিত্তিক প্ৰচেচিং সমিতি সমূহক সহায় কৰিবৰ কাৰণে প্ৰস্তাৱ কৰা হৈছে। মীন মহল, কৃষি পাম, দুগ্ধ পাম, হাঁহ-কুকুৰা পাম, গাহৰী পাম, ঔদ্যোগিক, শ্ৰমিকগোট আৰু পৰিবহন সমিতি সমূহলৈকো একে ধৰণৰ উৎসাহ আগবঢ়োৱা হব।

**শিক্ষাঃ**

৪৭। শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ষষ্ঠ পৰিকল্পনাৰ কালছোৱাত প্ৰত্যেকখন গাঁৱেই যাতে এখনকৈ বিদ্যালয় পাব পাৰে তালৈ চৰকাৰে লক্ষ্য ৰাখিব। মাধ্যমিকশিক্ষাৰ ক্ষেত্ৰত দশমমান শ্ৰেণীলৈকে মাচুল ৰেহাই দিবলৈ সিদ্ধান্ত কৰা হৈছে। এই সিদ্ধান্তৰ ফলত প্ৰতিবছৰে এক কোটিতকৈও অধিক বিত্তীয় ব্যয়ৰ প্ৰয়োজন হব।

**খেল-ধেমালি আৰু যুৱকল্যাণঃ**

৪৮। ৰাজ্যখনৰ খেলা-ধূলাৰ ক্ষেত্ৰত উদ্‌গনি দিবলৈ কেইবাটাও আঁচনি হাতত লোৱা হৈছে। এই বিলাকৰ ভিতৰত শ্ৰেষ্ঠ খেলুৱৈক পদক প্ৰদান, খণ্ড পৰ্য্যয়ত গ্ৰাম্য ক্ৰীড়াকেন্দ্ৰ স্থাপন আৰু প্ৰশিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছে। যুৱ আবাস গৃহ স্থাপনৰ বাবে থকা প্ৰস্তাৱো বিবেচনাধীন হৈ আছে।

**সংস্কৃতিঃ**

৪৯। সাংস্কৃতিক দিশত উন্নতি সাধনৰ কাৰণে অনুৰূপ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এইবিলাকৰ ভিতৰত জনতা কথাছবিৰ ঘৰ নিৰ্ম্মাণ আৰু হাফলঙত সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ উল্লেখযোগ্য।

**যোগানঃ**

৫০। মাননীয় সদস্য সকলে জানিবলৈ পাই সুখী হব যে, কেন্দ্ৰীয় চৰকাৰে ধান চাউলৰ চলাচলৰ ওপৰত থকা সকলো বাধা-নিষেধ উঠাই লোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অনুৰূপ ব্যৱস্থাৰ ফল স্বৰূপে বজাৰত এই খাদ্য দ্ৰব্য সমূহৰ প্ৰাচুৰ্য্য বৃদ্ধি পাইছে আৰু মূল্যমানো এতিয়ালৈকে সন্তোষজনক অৱস্থাত আছে। উৎপাদনকাৰী সকললৈ সন্তোষজনক বিক্ৰি মূল্য নিশ্চিত কৰা হৈছে আৰু এতিয়া পৰ্য্যন্ত ৰাজ্যখনৰ কোনো অংশৰ পৰাই অভাৱত পৰি কম মূল্যত বিক্ৰি কৰাৰ বাতৰি পোৱা হোৱা নাই।

**চৰকাৰী চাকৰিয়ালঃ** ...... ... ...

৫১। চৰকাৰী চাকৰিয়াল সকলৰ প্ৰকৃত অভাৱ অভিযোগৰ প্ৰতি চৰকাৰ সচেতন। নতুন দৰমহা আয়োগৰ প্ৰশ্নটো বৰ্ত্তমানে ভালেখিনি আগবাঢ়িছে।

৫২। চৰকাৰী চাকৰিয়ালৰ আবাস গৃহ নিৰ্মাণৰ কাৰণে অহা বছৰৰ বাজেটত বহুজন পৰিমাণৰ ধন ধৰা হৈছে। এই সম্পৰ্কত আনুষ্ঠানিক বিত্ত লাভ কৰিবলৈ আৰু চৰকাৰী চাকৰিয়ালে গঠন কৰা গৃহ নিৰ্মাণ সমবায়লৈ উৎসাহ প্ৰদানৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে।

**বিত্তীয় প্ৰশাসনৰ সংস্কাৰ ঃ**

৫৩। এই চৰকাৰে এটা পূৰ্ণাংকলীয়া পৰিকল্পনা আৰু বিত্তীয় ব্যৱস্থা উত্তৰাধিকাৰ সূত্ৰে পোৱাৰ দৰেই পাইছে। উন্নয়নমূখী প্ৰশাসনৰ পৰিপ্ৰেক্ষিতত বাজেট আৰু বিত্তীয় নিয়ন্ত্ৰণৰ ব্যৱস্থাসমূহ ফলপ্ৰসূ নহয়। নিম্নোল্লেখিত প্ৰধান প্ৰধান বিষয়সমূহৰ ক্ষেত্ৰত অভিজ্ঞতা সমৃদ্ধ ব্যৱস্থা প্ৰবৰ্ত্তনৰ এটা দৃঢ় আৰু খৰতকীয়া নীতিৰ প্ৰয়োজন বোধ কৰা হৈছে। বস্তুৰ জমা আৰু সংৰক্ষণত কম মূলধন খটুৱাই সৰ্বাধিক দক্ষতা লাভ কৰিবলৈ বস্তুৰ তালিকাৰ হিচাব পৰীক্ষা আৰু পৰিচালনাৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ প্ৰয়োজন। কৰ্মচাৰী মঞ্জুৰৰ ক্ষেত্ৰত এক গ্ৰহণযোগ্য আদৰ্শবিধি স্থাপনৰ কাৰণে কৰ্মচাৰীৰ সঘন পৰিদৰ্শনৰ এক কাৰ্য্যকৰী ব্যৱস্থাৰ প্ৰয়োজন। ইয়াৰ অবিহনে মঞ্জুৰীসমূহ পাওঁতে বিলম্ব ঘটে আৰু সেই বিলাক সততে অনৰ্থক ভাৱে আৰু আনকি কৰ্তৃত্বহীন ভাৱে চলাই থকা হয়। কেৱল নিয়ন্ত্ৰণৰ বাবে নহৈ ব্যয়জনিত উপকাৰৰ প্ৰতি লক্ষ্য ৰাখি বিত্তীয় পৰীক্ষা-নিৰীক্ষাৰ পুনৰ্বিন্যাস কৰাৰ অতিশয় প্ৰয়োজন হৈ পৰিছে। ইয়াৰ বাবে বিত্তীয় বিষয়া সকলৰ সেৱাৰ পুনৰ্সংগঠনৰ আৱশ্যক। বৃহৎ পৰিমাণৰ মূলধন বিনিয়োগ থকা বিভাগ আৰু উদ্যোগৰ ক্ষেত্ৰত এনে পুনৰ্গঠনৰ বিশেষ প্ৰয়োজনীয়তা আছে। শেহত বিভিন্ন চৰকাৰী বিভাগে গাইগুটীয়া ভাৱে কাৰ্য্য সম্পাদন কৰাৰ ধাৰা আঁতৰাবলৈ সমগ্ৰ চৰকাৰী কাম-কাজৰ বিশ্লেষণৰ এক পদ্ধতি প্ৰৱৰ্ত্তনৰ প্ৰয়োজন হৈছে, কিয়নো বিভিন্ন বিভাগৰ এনে গাইগুটীয়া কাৰ্য্য সম্পাদনে চৰকাৰী কাম-কাজৰ মূল উদ্দেশ্য ব্যাহত কৰে। বছৰটোৰ ভিতৰতে আমি এই সম্পৰ্কে যথোপযুক্ত ব্যৱস্থা বিচাৰি উলিয়াম।

**বিত্তীয় পৰিস্থিতি ঃ**

৫৪। ১৯৫০-৫১ চনত ২·৭৯ কোটি টকাৰ যি ৰাজহুৱা ঋণৰ বোজা ৰাজ্যিক চৰকাৰৰ কান্ধত আছিল, সেই ঋণৰ বোজা এই বিত্তীয় বছৰৰ শেহত ৬৩৭.৯৯ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এনে ধৰণৰ ঋণৰ পৰা লাভজনক মূলধনী সম্পদৰ সৃষ্টি কৰাটো নিশ্চিত কৰা প্ৰয়োজন। এই সম্পৰ্কত নতুন চৰকাৰে এক নতুন দিশৰ সূচনা কৰিবলৈ যত্নপৰ হব।

**১৯৭৬-৭৭ চনৰ হিচাৱ ঃ**

৫৫। ১৯৭৬-৭৭ চনৰ বাৰ্ষিক হিচাব আৰম্ভণিৰ ১৪.২০ কোটি টকা ঘাটি উদ্বৃত্তৰ বিপৰীতে ১৩·১৮ কোটি টকাৰ ঘাটি উদ্বৃত্তৰ হিচাবৰে সামৰণি পৰে। উল্লেখিত বছৰটোত ৰাজহ আয় সংশোধিত হিচাবতকৈ ১৩.৭০ কোটি টকা বৃদ্ধি পায়। কৃষি আয়কৰ (৬.০৫ কোটি টকা), সূতৰ পৰা হোৱা আয় (১.৩১ কোটি টকা), বনাঞ্চলৰ আয় (১.৮৯ কোটি টকা) কেন্দ্ৰীয় আবকাৰী শুল্কৰ পৰা পোৱা অংশ (১.৩৬ কোটি টকা) আৰু কেন্দ্ৰৰ পৰা পোৱা অনুদান (৩.৬৬ কোটি টকা) আদি শিতানত পোৱা বৰ্দ্ধিত আয়ৰ ফলতেই ৰাজহ আয় বৃদ্ধি হয়। ৰাজহৰ শিতানত ব্যয় সংশোধিত হিচাবতকৈ ১০.৭৮ কোটি টকা কম আছিল। সাধাৰণ সেৱা (৩.৭৪ কোটি টকা), সামাজিক আৰু সামূহিক সেৱা (১.৩৭ কোটি টকা), কৃষি আৰু আনুসংগিক সেৱা (১.৮৯ কোটি টকা),

পথ আৰু দলং (১·৯৪ কোটি টকা) আৰু সাহায্য মঞ্জুৰী (০·৬৩ কোটি টকা) আদি ক্ষেত্ৰত কম ব্যয় হোৱাৰ কাৰণেই ৰাজহ শিতানত ব্যয়ৰ পৰিমাণ হ্ৰাস পায়।

**১৯৭৭-৭৮ চনৰ সংশোধিত প্ৰাক্কলন :**

৫৬। ১৯৭৭-৭৮ চনৰ সংশোধিত প্ৰাক্কলনত মুঠ ৰাজহ আয় বাজেট প্ৰাক্কলনতকৈ ১৬.৪২ কোটি টকা বাঢ়িব বুলি আশা কৰা হৈছে। আয় কৰৰ শিতানত ৬.৩৫ কোটি টকা সামগ্ৰী আৰু সেৱাৰ ওপৰত লগোৱা কৰ ১.২৮ কোটি টকা আৰু কেন্দ্ৰৰ পৰা পোৱা সাহায্য মঞ্জুৰী ৮.৮৪ কোটি টকাৰ বৰ্দ্ধিত আয় আশা কৰাৰ বাবেই ঘাইকৈ এই বৃদ্ধি পৰিলক্ষিত হৈছে। ১৯৭৪ চনৰ ১ জুলাইৰ পৰা ৰাজ্যিক চৰকাৰী কৰ্মচাৰী আৰু শিক্ষক সকলক মঞ্জুৰ কৰা অনাদায়ী মৰগীয়া বানচ দিয়া আৰু মাধ্যমিক স্কুল সেৱা চৰকাৰীকৰণ কৰা বাবে ঘাইকৈ বাজেট প্ৰাক্কলনতকৈ ৰাজহ ব্যয় ৪৮.০৯ কোটি টকা হবগৈ বুলি আশা কৰা হৈছে। ইয়াৰ ফলত চলিত বছৰৰবাজেট উত্থাপন কৰাৰ সময়ত ২১.০১ কোটি টকা ৰাহি হব বুলি নিৰ্দ্ধাৰণ কৰাৰ পৰিবৰ্ত্তে ১০.৬৫ কোটি টকাৰ ৰাজহ ঘাটি হব। অৱশ্যে ৰাজহ হিচাবৰ বাহিৰত ১৯.৭৬ কোটি টকা ৰাহি হব। ই কেৱল ১০.৬৫ কোটি টকাৰ ৰাজহ হিচাবৰ ঘাটিকেই যে পূৰণ কৰিব এনে নহয়, ১৩.১৮ কোটি টকাৰ আৰম্ভ-ণিৰ ঘাটি উদ্বৃত্তৰ এটা বুজন অংশও সামৰি লব। সেয়ে বছৰটো ৪.০৬ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব।

**বাজেট প্ৰাক্কলন :**

**১৯৭৮-৭৯**

৫৭। এতিয়া মই ১৯৭৮-৭৯ চনৰ বাবে বাজেটৰ হিচাপলৈ আহো। অহা বছৰ-টোৰ বাবে মুঠ ৰাজহ আয় ২৮৪.৪৩ কোটি টকা আৰু মুঠ ৰাজহ ব্যয় ২৪৯.৬৩ কোটি টকা হব বুলি অনুমান কৰা হৈছে। ৰাজহ হিচাপৰ বাহিৰত ৩৭৪.৩৫ কোটি টকা আয় আৰু ৪১৫.৭০ কোটি টকা ব্যয় হব বুলি ঠাৰৰ কৰা হৈছে। ইয়াৰ ফলত ৪১.৩৫ কোটি টকা ঘাটি পৰিবগৈ। এই ঘাটিৰ এক বুজন অংশ ৰাজহ হিচাপৰ বাহিৰ (৩৪.৮০ কোটি টকাৰ) পৰা পূৰোৱা হব। অৱশেষত ৬.৫৪ কোটি টকা বছৰটোৰ বাবে ঘাটি ৰবগৈ। আৰম্ভণিৰ ঘাটি উদ্বৃত্ত ৪.০৬ কোটি টকাৰ লগত উপৰোক্ত ঘাটি লগ লগালে আগন্তুক বছৰটো ১০.৬০ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব।

৫৮। শেহান্তৰত ঘাটি উদ্বৃত্তৰ পৰিমাণ ওপৰত উল্লেখ কৰা পৰিমাণতকৈ সম্ভৱতঃ সৰহ হব। অলপতে ৰাজ্যিক চৰকাৰে তিনিটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। সিদ্ধান্ত কেইটা হল (১) দশমমানশ্ৰেণীলৈকে স্কুলৰ মাচুল ৰেহাই, (২) দহ বিঘা পৰ্য্যন্ত খেটি মাটিৰ ওপৰত খাজনা মাফ আৰু মাটিৰ খাজনাৰ ওপৰত আগতে থকা শতকৰা ৩০ ভাগ উপৰুৱা কৰ ৰহিতকৰণ আৰু (৩) ৰাজ্যিক হাস্পতাল সমূহৰ বাহিৰৰ পৰা অহা ৰোগীয়ে দিবলগীয়া মাচুল ৰহিতকৰণ। এই তিনিটা ব্যৱস্থাৰ ফলত প্ৰতি বছৰে ২.১৯ কোটি টকাতকৈ অধিক ৰাজহ প্ৰকৃত পক্ষে হেৰুৱাব লগীয়া হব।

ইয়াৰ উপৰিও শতকৰা ৩০ ভাগ উপৰত্বা কৰৰ সন্দৰ্ভত সঞ্চিত হোৱা অনাদায়ী ধনৰ বাবে ২.৪৭ কোটি টকা ৰাজ্যিক পুঁজিৰ পৰা হেৰুৱাব লগা হব। এই বিলাক ব্যৱস্থাৰ ফল স্বৰূপে আয় আৰু ব্যয়ৰ ক্ষেত্ৰত আনুমানিক পৰিমাণৰ পৰিবৰ্ত্তন ঘটিব আৰু লগে লগে ঘাটিৰ পৰিমাণো বৃদ্ধি পাব।

৫৯। তদুপৰি ৰাজ্যিক কৰ্মচাৰী সকলক বৰ্দ্ধিত হাৰত দিবলগীয়া মৰগীয়া বানচৰ বিত্তীয় পূৰ্ণ প্ৰভাৱৰ কথা এই বাজেটৰ হিচাপত ধৰা হোৱা নাই। বৰ্দ্ধিত হাৰৰ মৰগীয়া বানচৰ বাবদ আনুমানিক ৬.৬০ কোটি টকা প্ৰয়োজন হব। ইয়াৰ ফল স্বৰূপে ঘাটিৰ পৰিমাণ বাঢ়িব আৰু ১৯৭৮-৭৯ চনৰ শেষত মুঠ ঘাটি উদ্বৃত্ত বৃদ্ধি পাব।

৬০। মাননীয় সদস্য সকলে মোৰ লগত একমত হব যে ৰাজ্যিক চৰকাৰৰ বৰ্ত্তমান বিত্তীয় পৰিস্থিতি সন্তোষজনক নহয়। ৰাজ্যখনৰ সাধাৰণ অৰ্থনীতিৰ উন্নয়ন সধাৰ বাবে অতিশয় মিতব্যয়িতা আৰু সৰ্বাত্মক প্ৰচেষ্টাৰ বৰ্ত্তমান প্ৰয়োজন হৈ পৰিছে। নতুন চৰকাৰৰ এই প্ৰচেষ্টাৰ সহযোগী হবলৈ মই মাননীয় সদস্য সকলক আবেদন জনাওঁ।

৬১। মহাশয়, ইয়াকে কৈ মই ১৯৭৮-৭৯ চনৰ বাবে বাৰ্ষিক বিত্তীয় বিৱৰণী বিবেচনা আৰু অনুমোদনৰ নিমিত্তে উত্থাপন কৰিলো আৰু তাৰ ওপৰত লেখা অনুদানৰ (Vote on Account) বিৱৰণী বিবেচনা আৰু অনুমোদনৰ নিমিত্তে পিচত সদনত উত্থাপন কৰিম।

শ্ৰীনুৰুল হুদা :— এইটো আগৰ লিখাকে অনুকৰণ কৰাৰ বাবে আগৰ পদ্ধতিতেই হৈ আছে।

(ভইচেচ্—যোগান মন্ত্ৰীয়ে কবনে বজাৰত চাউলৰ মূল্য কিমান ?)

শ্ৰীপ্ৰেম বৰা :—অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে নতুন মন্ত্ৰী হিচাবে বাজেট বক্তৃতা পঢ়ি শুনালে। বাজেতত প্ৰথম পৃষ্ঠাৰ তদফাত কৈছে যে "১৯৭৭-৭৮ চনৰ বছৰটো কেন্দ্ৰত জনতা দলৰ চৰকাৰৰ প্ৰথম বছৰ। সন্তোষজনক খাদ্য পৰিস্থিতি, বৃহত পৰিমাণৰ বিদেশী মুদ্ৰাৰ সংগ্ৰহ আৰু বয়-বস্তুৰ মূল্যৰ আপেক্ষিক ভাবে সহজ পৰিস্থিতি এই বছৰটোৰ বৈশিষ্ট আছিল ৰাষ্ট্ৰীয় মুঠ উপাদানৰ হাৰ আগৰ বছৰৰ শতকৰা ১·৬ ভাগৰ তুলনাত ১৯৭৭-৭৮ চনত শতকৰা ৫ ভাগ আশাকৰা হৈছে।" এই কথাটো মন্ত্ৰী মহোদয়ে নিজে বজাৰে-সমাৰে গৈ অলপ দৰ-দাম জানি ললে ভাল হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— বাজেট সম্পৰ্কে পিচত আলোচনা হব।

শ্ৰীপ্ৰেম বৰা :— বাস্তৱৰ লগত সঙ্গতি ৰাখি কব লাগে, নিজে বজাৰলৈ গৈ চাই চিতি লব লাগে।

SHRI NURUL HUDA— Mr. Speaker, Sir, we expect that new Government would face the realities boldly and courageously and they should have the guts to admit hard facts.

Mr. SPEAKER:—Please do this when your turn comes.

Now, item No. 2; the Finance Minister is to present item No. 2.

Shri KESHAB CHANDRA GOGOI (Minister)—Sir, I beg to present the Vote on Accounts for the First quarter of the financial year beginning from 1st April 1978.

Shri KESHAB CHNADRA GOGOI, (Minister)—Sir I beg to introduce the Assam Finance Bill, 1978.

Shri SHAMSUL HUDA—Sir, the Governor's approval is necessary to intrnduce the Bill.

Shri GIASUDDN AHMED—Sir on a point of order, the hon. Finance Minister is to seek the leave of the House to introduce the Finance Bill. If the leave is granted, then the Bill is to be introduced.

Mr. SPEAKER—Yes.

Shri KESHAB CHANDRA GOGOI (Minister)—Sir, I may be permitted to introduce the Assam Finance Bill.

Shri Md. UMARUDDIN—Sir, the House is to consent to the introduction of this Bill, and Governor's message is also necessary for the purpose.

Shri PROMODE CHANDRA GOGOI—Sir, I think, the Bill could be circulated to the hon. members only after taking permission from the House; that means after the leave is granted to introduce the Bill then the Bill can be circulated to the hon. members. Before taking leave of the House, I think, it is not proper to circulate the Bill to the hon. members.

Mr. SPEAKER—It is being circulated simultaneously.

Shri PROMODE CHANDRA GOGOI—Sir, the leave was not granted by the House and therefore it was not proper on the part of the Finance Minister to distribute the Finance Bill to the hon. members and by that way he has violated the previleges of the House and violated the rules and procedures of this House.

Mr. SPEAKER—The Bill could be distributed in advance.

Shri GIASUDDIN AHMED—Sir, whether the leave is granted.

Shri DULAL CHANDRA BARUA (Minister)—Sir, I agree with Shri Giasuddin Ahmed, hon. member that for introduction of the Bill, permission is to be obtained but for distribution of the Bill, there is no restriction.

Shri GOLOK CHANDRA RAJBONGSHI—If there is no permision given, can the Bill be distributed ? Without taking the consent of the House, how the Bill could be distributed ?

Shri DULAL CHANDRA BARUA (Minister)—It is the inherent right of the hon. Speaker to distribute the Bill.

Mr. SPEAKER—Yes, I permitted for distribution of he Bill.

**Shri KESHAB CHANDRA GOGOI** ( Minister, Finance ) Sir, I beg leave to introduce the Assam Finance Bill, 1978.

**Mr. Speaker** : Has the Hon'ble Minister leave of the House to introduce the Bill.

(Voices yes, yes)

Now Leave is granted. There is a message from the Governor. "Under Article 207 (I) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly the Assam Finance Bill, 1978."

**Shri KESHAB CHANDRA GOGOI** ( Minister, Finance ) : Sir, I beg to introduce the Assam Finance Bill, 1978. ( Secretary **L.** A. then read out the Title of the Bill).

## DEBATAE ON THE GOVERNOR'S ADDRESS

Mr. SPEAKER : Now, dabate on Governor's address. Shr. Akram Hussain will continue. He will not take more than five minutes.

শ্ৰী এ, এন, আক্ৰাম হোচেইন ঃ— যোৱা কালি অধ্যক্ষ মহোদয়, মই কাছাৰ জিলাৰ অৰুণাচলত জুই লগাৰ কথা কৈছিলো, তাত প্ৰায় ৭০ খন দোকান জুইত পুৰি ধূলিসাৎ হৈ যায় অথচ তিনি কিলোমিটাৰ দূৰত থকা ফাইয়াৰব্ৰীগেদক টেলিফোন কৰি মতাতো তেওঁলোকে জনালে ড্ৰাইভাৰ নাই আৰু সময়ত আহিব নোৱাৰিলে আৰু পিচত প্ৰায় আধা ঘণ্টা পাচত ওলালহি পলম হোৱাৰ কাৰণ সোধাত কলে যে তেওঁলোকৰ ড্ৰাইভাৰ সাজু নাছিল আৰু পিচত ওলোৱাৰ পিচত পানী নোহোৱাত ওচৰৰ পুখুৰীৰ পৰা পানী লবলৈ কলে কিন্তু তেওঁলোকে পাইপ নাই বুলি জনালে। গতিকেই মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছোঁ যে অগ্নিকাণ্ড যি কোনো মুহূৰ্ত্ততে হব পাৰে গতিকেই তেনে ক্ষেত্ৰত এই প্ৰয়োজনীয় বিভাগ বিলাক সকলো সময়তে সতৰ্ক থাকিব লাগে। তাত সামৰিক বিভাগৰ মানুহে জুই নুমুৱাব হলে কথা বিষমেই আছিল।

তাৰ পিচত মই চৰ অঞ্চলৰ কথা কওঁ। এই চৰ অঞ্চলত বিশেষকৈ মোৰ সমষ্টিৰ ছয়গাওঁ, লটৰীয়া অঞ্চলত যোৱা ১০/১৫ বছৰে খেতি কৰি আহিছে, তেওঁলোকে তাত তৌজী বাহী খাজনা দি আছে কিন্তু আজিলৈকে তেওঁলোকে তাত পট্টা দিয়া নহ'ল। গতিকেই নতুন চৰকাৰে নতুন উদ্যোগ লৈ এই যি সকল খেতিয়কে তাত ইমান বছৰ খেতি কৰি আহিছে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। মই আন এটা কথা নকৈ নোৱাৰিলো, ফাইনেন্স Ministerয়ে সদনত ডাঙি ধৰিছে। খাদ্য দ্ৰব্যৰ আদি দাম দিনক দিন চৰি আকাশ চুম্বী পাইছেগৈ, এই ক্ষেত্ৰত মোৰ কোনো মন্তব্য নাই। আজি এই যে খাদ্য দ্ৰব্যৰ প্ৰাইচ লাইন চেম্বাৰচ অব কমাৰ্চে আলোচনাৰ জৰীয়তে নিৰ্দ্ধাৰিত

কৰে, কিন্তু শুনা মতে যোৱা নিৰ্ব্বাচনত জনতা পাৰ্টিয়ে হেনো তেওঁলোকৰ পৰা চান্দা বৰঙনী লোৱা হৈছে সেই কাৰণেই এই প্ৰাইভেট লাইনহোল্ড কৰিব পৰা হোৱা নাই, গতিকেই নতুন চৰকাৰৰ মুখ্য মন্ত্ৰী তথা বিত্ত মন্ত্ৰীয়ে এই উৰ্দ্ধমুখী বয়-বস্তুৰ দাম ৰোধ কৰিবলৈ সামৰ্থ্য হব বুলি মোৰ বিশ্বাস।

অধ্যক্ষ মহোদয়, তাৰ পিচত মই শিক্ষাৰ বিষয়ে কও যে আমাৰ প্ৰাইমাৰী স্কুলৰ আৰু অনান্য যি সকল শিক্ষক তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা অতিকৈ শোচনীয়। তেওঁলোকে দৰ্মহাৰে নিজৰ পৰিয়ালটোকে ভৰণ পোষন দিবলৈ অপাৰগ। তাৰে পৰি এই শিক্ষক সকলে তেওঁলোকৰ সন্তানৰ উচ্চ শিক্ষাৰ কাৰণে অতিকৈ আগ্ৰহী কিন্তু এই কম দৰ্মহাৰে তেওঁলোকে লৰা-ছোৱালীক কি দৰে শিক্ষা দিব ? কোনো সময়ত তেওঁলোকে স্কুল ছুটি হোৱাৰ পিচত ৫/৬ টা টিউশ্যন লব লগীয়া হয় ৰাতি ১১ বজালৈ। ইমান পৰিশ্ৰম কৰাতো সম্ভৱ পৰ, অধিক পৰিশ্ৰম কৰাৰ ফলত বহুতো শিক্ষকে টি, বিৰ নিচিনা ক্ষয় ৰোগত ভূগিব লগীয়া হৈছে, গতিকেই মই কব খুজিছো আমাৰ শিক্ষক সকলৰ লৰা-ছোৱালী বিলাকক বিশ্ববিদ্যালয় পৰ্য্যায়লৈ শিক্ষাৰ মাচুল ৰেহাই দিব লাগে আৰু তেওঁলোকক বিনামূলীয়াকৈ কিতাপ যোগান ধৰিব লাগে। আমি বাৰ বাৰ কৈ আছো যে শিক্ষক সকল আমাৰ দেশৰ মেৰুদণ্ড স্বৰূপ আৰু তেওঁলোকেই আমাৰ ভৱিষ্যত নাগৰিক সৃষ্টি কৰাৰ প্ৰধান আহিলা, গতিকে আমি বাস্তৱমুখী দৃষ্টিভংগীৰ এই শিক্ষক সকলক সহায় কৰাৰ কাৰণে আগবাঢ়িব লাগে।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, মই আৰু বেচি দিঘলীয়া নকৰো, চৰকাৰক তিব্ৰ সমালোচনা কৰিবলৈ নাযাও, কেৱল ৰাজ্যপালৰ ভাষণৰ ওপৰত যি খিনি আলোচনা কৰিব লাগে সেই খিনিয়ে কলো, মই যি কবলৈ গৈছো সেই খিনি আমাৰ প্ৰতি ঘৰৰে মনৰ কথা, সমাজৰ কথা। আমাৰ চৰকাৰ যিহেতু জনকল্যাণমূলক সেৱাত ব্ৰতী তেনে ক্ষেত্ৰত চৰকাৰে যিবিলাক জনকল্যাণমূলক আঁচনিৰ কথা ঘোষনা কৰিছে সেইবিলাক যাতে যথাযথ ভাবে পালন কৰিবলৈ পিচ নহুহকে আৰু আমি আগবঢ়োৱা জনকল্যাণমূলক প্ৰস্তাৱ বিলাক যাতে বিবেচনা কৰে এয়ে আশা।

মই আমাৰ চৰকাৰৰ মন্ত্ৰী সকলক এইটো অনুৰোধ কৰিম যে, তেখেত সকলে বিৰোধী দলৰ সদস্য সকলক যেন বন্ধু হিচাবে ব্যৱহাৰ কৰে আৰু যিকোনো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ আগতে যেন তেখেত সকলে বিৰোধী দলৰ মাননীয় সদস্য সকলৰ লগতো আলোচনা আদি কৰিহে সিদ্ধান্ত আদি লয়। এই খিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণী মাৰিলোঁ।

**Shri ALTAF HUSSAIN MAZUMDAR**— I take my stand in support of the Motion of Thanks moved by my young friend, the hon. member Shri Nagen Sarma. At the outset I must congratulate the Janata Government for the very bold and expenditious steps taken for abolishing the Land revenue on agricultural land holdings upto ten bighas and the surchage on land Revenue. This has reflected the policy of the Government and demonstrated that Janata Government will be by the side of the agriculturists and have nots. This has been acclaimed throughout the State. Not only this, other measures that have been taken by the Janata Government are most laudable. Sir, this Government has

decided abolition of school fees upto Class X. It is undoubtedly a progressive measure for the poor State like Assam and this will benefit large number of people in the State. I would like to point out that this prompt action on the part of the Janata Government has made it abundantly clear that this Janata Government can act swiftly in the interest of the people of the State. Sir, I can say without any fear of coantradiction that if such a decision was to be taken under the leadership of Shri Sarat Chandra Sinha, perhaps twenty meetings would have been required in the Janata Bhawan and probably some experts from Punjab would have been requisitioned to advise whether it is to be done or not. But this Government has shown that it can take decision very swiftly and forth right for the interest of the people of the State. Yesterday, hon. member Shri Sarat Chandra Sinha very boldly wanted to say that this Janata Government in the Governor's Address has not castigated the misdeeds of the previous Congress Government. I must thank this Government that it has not rushed to castigate the misdeeds of the previous Government. It cannot be done without examining the records very carefully. But that does not mean that previous Government has no misdeeds to its credit. I am thankful to the hon.member, Shri Sarat Chandra Sinha when he said that even if it is not mentioned in the Governor's Address, Members have the right to express it in the House, and definitely time will come when it will be placed in the House so that people of the State may know how this Congress Government's misrule made the State brankrupt. Facts and figures will reveal it. Sir, I would like to point out that it has been rightly said in the Governor's Address that this Governmet is determined to continue its efforts towards removal of poverty, attainment of economic self-reliance, upliftment of the backward classes and narrowing down regional disparities and imbalances. And, I am sure this Government with due efforts will be able to deliver goods because it is the people Government. Sir, it is a matter of great satisfaction that in the Governor's Address due attention has been given to the problem of flood both in the Brahmaputra and Barak valleys. Proper attention has also been given to agriculture, irrigation, health, communication, unemployment, etc. It goes to the credit of the Government which has been installed very recently. It is a tribute to the people of this State who have installed the Janata Government throwing out the Congress Government who misruled the State. I am also happy to note that the problems of Char area has also been dealt with in the Governor's Address. For the last thirty years the people in the Char areas were made to live a sub-human lives. Now, I am sure this Government will give due attention to the people of Char areas their distress will be alliviated. I would request the Government through you, Sir, things should be allowed to move fast so that confidence may be reposed in the mind of the people who had so long been betrayed by the previous Government. Sir, in the Governor's Address attention has been given to the problems of co-operatives. It is undoubtedly a fact that a poor State like Assam cannot afford to ignore co-operatives if it is to survive economically and if it is to supply essential materials to the poor and weakest section of society at fair price. Sir, today the position of th. co-operatives are most distressing. The share holders' money is fritteree away. The cooperatives are running at loss. The Congress Government said in 1976 that 51 p. c. of the cooperatives are running at a profit. It is nothing but a jugglery of accounts. I would request the Govern-

ment through you, Sir, that Government should immediately examine the records and accounts of all the cooperatives so that truth may come out. If you are to revive confidence in the mind of the people about the Co-operatives, our Government should clear this Aegians table. Misrule of Sinha Government for the last six years have been agonising the minds of the people extremely............(interruption from the Congress benches)....Mr. Speaker, Sir, the hon'ble member should have patience. A Hon'ble member who held the most exalted position of Deputy Speaker, he must learn how to behave in the House. (applause from the Janta Party benches) Sir, when these co-operatives were started the poor people felt their lot will be improved. In all the G. P. there are co-operetives. But as things stand now the people are losing faith in it. The pertinent question, if asked, why this has happened the obvious answer is this : the Congress Government politicalised the entire co-operative as a result of which co-operatives have been ruined. Unfortunately the former Chief Minister, hon'ble member Shri Sinha is not here now. I would have been happy if I could speak before him. Sir, people elected the co-operative chairman and when they were not to the liking of the former Chief Minister and former Ministers the files and records were called and these were kept there. Elected co-operatives were not allowed to function and this is how the loud defender of democracy, Hon'ble member Shri Sarat Chandra Sinha acted for the last 6 years. They had not the guts to refer their stooges to go for appeals under the provision of co-operative bye-law and under the cover of emergency they did all the misdeeds. We are happy that the people of Assam have not forgiven them; they have thrown them out. Sir, as regards Panchayat, you are well aware that before the establishment of Panchayati Raj under the new Panchayat Act there were slogans from the Congress party that de-centralisation is taking place : there would be no need for the people to come to Dispur.

Sir, it is the bounded duty of the present Government to re-establish the Panchayat Raj and go for decentralisation in the truest sense of the term. And the policy of the Janata Government as it stands, is in favour of decentralisation. I am sure, decentralisation of Panchayat will give the people a sense of participation in the administration. Two tier Panchayati Raj system has proved to be uneffective. As a result of 2-tier system i.e. Mahakuma Parishad and G. P. the blocks are becoming inactive. I feel Sir, in the near future, 3-tier Panchayati Raj system will be introduced so as to make the Anchlik Panchayat more effective. There is no leadership in this level now due to two tier system.

The Congress Government under the leadership of Shri Sarat Sinha has brought ruination to the people of Assam. I am told, the other day, when Shrimati Indira Gandhi came to Nowgong she confessed publicly that she committed a great mistake in her life in putting up Shri Sarat Chandra Sinha as the Chief Minister of Assam against the wishes of the people. Of course, I do not grudge Hon'ble member Shri Sarat Chandra Sinha's entry in the administration through the kitchen door of Shrimati Indira Gandhi. But the people of Assam

sent him back through the same kitchen door. Sir, Shri Sinha yesterday quoted some figures to put up the proposition that the Janata Government is a minority Government. Sir, the figures will be lie; he has not placed the whole facts before the House. Total vote caste was about 66% out of which Janata Party got near about 27·56%, its associate party got 2·60% which comes to 30·10%. Besides that Independents got 25.62% and the Electorate of some of the Independents gave mandate to them to join the Janata Party. Even if we forget for a moment the support given by the Left parties, C.P.I.(M) and R. C. P. I. even then we can say that we are not having minority Government. We are thankful to the Left Parties, who in their wisdom have come forward to support this Government to honour the wishes of the people. (Shri Samsul Huda : so long you go proper). Sir, during the emergency, so much we have heard about land reforms and lands to the landless people. Sir, you are aware that Ministers were sent out to different places with much funfare costing huge expenditure to the exchequer for distribution of land to the poor people. Sir, you have seen that in the districts thousands of people were applying for land and they were running from post to pillars just to have their names in the list of landless. Even the people with small holdings sold their land and other properties and got their names recorded in the list of landless by paying money to touts, Mandals and other corrupt officials. But nowhere the people actually got land. The then Chief Minister Shri Sinha when he went to Khaspur we showed him that the land distributed there is in high hillocks where nobody can climb even. These bogus figure were given to the All India Radio for broadcast to show people of Assam that the Assam Government gave land to the people. But people know, this is not a fact ; it is far from truth and farthest from correct fact.

Sir, I agree with the hon'ble member Shri Noorul Huda so far as the price of articles are concerned. A regards the articles of daily necessity which are essential for poorer section of the people, in dealing with these we must face hard facts. I agree. But one salient point is that though the price high even to-day, the prices that were prevailing before the election were much higher, and the price of salt at that time went to what extent is well know to you Sir. Now it is going down, but it should be further brought down. It has not come down to the expected level. So I would beseech the Government through you Sir. that all out efforts must be made to reduce the price of essential commodities. Sir, in Assam we have got very efficient and at the same time a capable band of officers and Government employees and I am sure they are not less patriotic than anybody else If proper leadership is given certainly they would work for the people because they are people of the State and they also want the welfare of the people. But unfortunately during emergency these officers have been demoralised. We have found that very good officers have been penalised either by demotion or transfer because they did not hang on the verandah of those Ministers and others in authority I am sure, the Janata Government will make it a point to judge the officer by their ability, calibre and efficiency and not by how long they stood on the verandah of the Ministers Sir, we want to boost up the morale of the officers ; we will have to work through them and we will have to execute plans and programmes through them. So their morale must be boosted up. Sir, I am happy to find

that in the Governor's speech it has been categorically stated that those officers who suffered during emergency, Government is taking up the matter and this will be decided within 10th April, 1978. In this connection I have got a humble sumission on principle, my point is that they should be straight way reinstated. Why? Because they were penalised under the garb of emergency which we do not accept as it was done against law and natural justice. Therefore, they should be reinstated. I am not suporting any corrupt official. But it is a question of legality, propriety fairness and natural justice. I am conveying to the Government that under Article 311 of the Constitution of India it is the bounded duty of the Government to give them proper scope to defend them. Sir, as far as I know, most of the officers were penalised under the provision of the Article 311 of the Constitution of India. The Article 311 proviso (b) states that "where the authority empowered to dismiss or remove a person, or to reduce him in rank is satisfied that for some reason, to be recorded by that authority in writing, it is not reasonably practicable to ho'd such inquiry". Sir, I do not find that there will be any difficulty in holding an enquiry, as embodied in Article 311 of the Constitution. Sir, every citizen has the right to have the natural justice and to depend himself. I hope the officers can be reinstated by the Government and they should not be allowed to suffer because of the punishment inflicted to them during the emergency. Fresh proceedings may be drawn according to law if any one of them is found liable for any charge of corruption or nepotism. Many officers have been dismissed without giving them any chance to defend themselves. Then, sir, I would like to mention about the fate of a teacher who did not receive his salary for about 19 months for no fault of his own during emergency. He was Mr. Manik Chandra Das of Kampur. Sir, he did not get any salary for about 19 months. Sir, yon can very well understand how a man can run his family without receiving the salary for about 19 months. This was the state of affairs during the period of emergency. I would, therefore, urge upon the new Janata Government to take action immediately for removing the injustices done during the emergency. Sir, I do hope new Janata Government will surely take action immediately to remove the injustices done during the emergency. Sir, yesterday, the previous Chief Minister and Hon'ble Member Shri S. C. Sinha, was wailing that there was no mention of minorities in the Governor's Address. Sir, of late Shri S. C. Sinha, has developed a sense of love for the minorities. It is good; it is better late than never. Sir, if you examine the record of treatment towards the minorities during the last 6 years, then you will find how he loved the minorities so long. Sir, last 6 years tale it is a shocking hostory of minorities. It is a history of humiliation for the minorities in the field of services, not only in the Government services but also in semi-Government serrvices and in other services in Assam. Sir, by minorities—I do not mean only the muslims; I mean Christians, Jains and Buddhists Languistic minorities. At the sametimes the scheduled castes people also deserve due attention Sir Minorites did not get their due shares in the Government and semi-Government services during the regime of Hon'ble Member Shri S. C. Sinha. They did not get justice in the administration during the last 6 years. Sir, if we take the percentage of Muslims then we find that there percentage is about 25% of total population at Assam. Sir, they did not get the due share in the administration. No Governmet can

নিষ্ফল হন যখন তারা দেখেন যে সরকার একটা অনমনীয় মনোভাব গ্রহণ করেছেন তখন তারা বাধ্য হয়ে ধর্মঘটে নামেন। সেজন্য আমি সরকারের কাছে আবেদন করবো যাতে তাদের ন্যায্য দাবী যেন সহানুভূতির সংগে বিবেচনা করা হয়। আমি তাদের বর্ত্তমান কয়েকটি নমুনা এখানে তুলে ধরছি।

১। প্রয়োজনের ভিত্তিতে নিম্নতম বেতন, ২। ধর্মঘট করার জন্য যাদের বিরুদ্ধে শাস্তিমূলক ব্যবস্থা নেওয়া হয়েছিল সেগুলি প্রত্যাহার, ৩। যাদের বেতন কাটা হয়েছিল, তা ফিরিয়ে দিতে হবে এবং সেজন্য নতুন leave as due এর পরিবর্তে স্পেশাল লীভ হিসাবে গণ্য করা হওক।

আমরা জানি যে অনেক কর্মচারী আমাদের রাজ্যে আছেন যারা ছুটি পান না। যেমন মাষ্টার রোল, ক্যাজুয়েল শ্রমিক, কণ্টিন্জেন্ট, এক্সট্রা রাইটার প্রভৃতি। এরকম অনেক কর্মী পূর্ত, জলসিঞ্চন, বন্যা নিয়ন্ত্রণ প্রভৃতি নানা বিভাগে আছেন যাদের কোন রকম ছুটি নাই।

Mr. SPEAKER :—The hon. member will continue after lunch. Now the House stands adjournd till 2.30 p. m.

(After lunch)

শ্রীনুরুল হুদা ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমি যে কথা বলেছিলাম যে সরকারী কর্মচারীদের ধর্মঘটে অংশ গ্রহণ করার জন্য যে শাস্তিমূলক ব্যবস্থা গ্রহণ করা হচ্ছেছিল তা প্রত্যাহার করতে হবে। এ সম্বন্ধে তারা যে দাবী করেছে তার সংগে আমিও একমত এবং তা অবিলম্বে প্রত্যাহার করা উচিত বলে আমি মনে করি। এদের আরও কয়েকটি দাবী আছে এর মধ্যে একটি হলো চাকুরী নিয়মিতকরণ এবং ৫ বৎসর চাকুরী হলে তাদেরে যাতে 'কনফার্ম' করা হয় সেব্যবস্থা করা উচিত।

আর একটা দাবী আছে। সেটা হলো কেন্দ্রীয় সরকারের মহার্ঘভাতা তাদেরে দিতে হবে এবং এ সাপেক্ষে তাদের যে বকেয়া মহার্ঘ্যভাতা পাওনা আছে তা দিতে হবে। এছাড়া আমি মাষ্টার রোল কর্মচারী ক্যাজুয়েল লেবারার, ওয়ার্কচার্জ, কণ্টিন্জেন্ট এক্সট্রা রাইটার প্রভৃতি কর্মচারীর বিভিন্ন দাবীর দিকে বর্তমান সরকারের দৃষ্টি আকর্ষণ করছি। আমি জানি যে তাদের অভাব অভিযোগ সম্পর্কে বর্তমান গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় নিজে বিশেষ ভাবে অবহিত আছেন। এই সমস্ত কর্মচারীদের নিয়োগের ক্ষেত্রে কোন নীতি নাই। কোন কোন ক্ষেত্রে তারা দৈনিক ৫ টাকা ৭ টাকা এবং কোন কোন ক্ষেত্রে ৯ টাকা মজুরী পান। তাদের ছুটীর কোন ব্যবস্থা নাই, চিকিৎসার ব্যবস্থা নাই, তাদের অবসর গ্রহণের ব্যাপারে কোন ব্যবস্থা নাই, গ্রেচুইটি নাই, পেন্সন নাই। যেসব বিভাগ তাদেরে নিয়োগ করে সেসব বিভাগও দুর্নীতিগ্রস্ত। এরমধ্যে পূর্ত বিভাগ, জলসিঞ্চন বিভাগ, বন্যা নিয়ন্ত্রণ বিভাগের ভারপ্রাপ্ত মন্ত্রী মহোদয়গণের কাছে আমি এব্যাপারে বিশেষ দৃষ্টি দেওয়ার জন্য অনুরোধ করবো যে সমস্ত মাষ্টার-রোল শ্রমিক বহু বৎসর যাবৎ কাজ করছেন তাদের সম্বন্ধে যেন অত্যন্ত সহানুভূতি সহকারে বিবেচনা করা হয়।

এছাড়া আমি স্বীকৃতিপ্রাপ্ত হাইস্কুল, এম, ই, স্কুল, এম, ভি, স্কুল প্রভৃতির প্রতি এই সদনের দৃষ্টি আকর্ষণ করছি। এসব স্কুলে চৌকিদার, ঝাড়ুদার, জলওয়ালা প্রভৃতি এ ধরণের যেসব কর্মচারী আছেন তারা কোন কোন ক্ষেত্রে ২০ টাকা, কোন কোন ক্ষেত্রে ৩০ টাকা এবং কোন কোন ক্ষেত্রে ৪০ টাকা মাসিক বেতন দেওয়া হয়, তাও এরা এই

টাকা নিয়মিত ভাবে পায় না। সুতরাং এইসব ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয় তথা সমস্ত মন্ত্রী সভার দৃষ্টি আকর্ষণ করছি যাতে এদের ন্যূনতম মজুরী নিয়মিত ভাবে দেওয়ার ব্যবস্থা হয়।

আর একটা কথা বলে আমি আমার বক্তব্য শেষ করব। সেটা হলো কেন্দ্র রাজ্য সম্পর্ক সম্বন্ধ। আমি আশা করিনা যে জনতা সরকার এক্ষেত্রে পশ্চিমবংগের মুখ্যমন্ত্রী শ্রীজ্যোতি বসুর কথায় সম্পূর্ণ একমত হবেন। কিন্তু একটা কথা আমাদের মাক্সবাদী কম্যুনিষ্ট পার্টি পরিস্কার ভাবে বলে দিয়েছে যে কেন্দ্রকে আমরা কোন ভাবেই দুর্বল করতে চাই না। কেন্দ্রকে দুর্বল না করে আমরা আমাদের রাজ্যের নায্য অধিকার, নায্য পাওনা, নায্য সম্পদ যাতে রাজ্যের সর্বাংগীন উন্নতির জন্য পেতে পারি তার ব্যবস্থা করতে হবে। সে রাস্তা ঘাটের ক্ষেত্রে হোক, চিকিৎসার ক্ষেত্রে হোক—যে কোন ব্যাপারে আমরা যাতে আমাদের নায্য পাওনা পাই সেদিকে এই মন্ত্রী সভার দৃষ্টি দিতে হবে। আমাদের অনেক সমস্যা আছে। হাসপাতালের সমস্যা আছে, পাণীয় জলের সমস্যা আছে কিন্তু রাজ্যপালের ভাষণে এই কথার কোন উল্লেখ আমরা পাইনা।

আমার শেষ কথা হলো, আমি রাজ্যের জনতা সরকারকে অনুরোধ করবো যে আপনার যদি মানুষের আশা আকাংখা রূপায়িত না করতে পারেন তাহলে জনসাধারণ ৩০ বছরের কংগ্রেসর কুশাসনকে যে ভাবে ছুড়ে ফেলে দিয়েছে তার পুনরাবৃত্তি করতে দ্বিধা করবে না। গ্রামের কৃষক, শ্রমিক প্রভৃতি জনসাধারণ অশিক্ষিত হতে পারে, তারা লেখা-পড়া নাও জানতে পারে, তাদের রেডিও শোনার সামর্থ নাও থাকতে পারে কিন্তু তারা তাদের রাজনৈতিক সচেতনতার পরিচয় দিয়েছে। এর প্রমাণ শিক্ষায় দীক্ষায় অনুন্নত রায়বেরিলি সমষ্টি থেকে পরম পরাক্রমশালী স্বয়ং শ্রীমতী ইন্দিরা গান্ধীকে তারা পরাজিত করেছে। যে রায়বেরিলিতে মাত্র শতকরা ২২ শতাংশ লোক শিক্ষিত সেখানে এইসব তথাকথিত অশিক্ষিত লোক তাদের রাজনৈতিক সচেতনতার চরম পরিচয় দিয়েছে। সুতরাং আসামের জনসাধারণ যারা অবহেলিত, নিষ্পেষিত, যারা শ্রমিক কর্মচারী কিম্বা কৃষি শ্রমিক দিন মজুর, অনুন্নত মধ্যবিত্ত জনসাধারণ তাদের প্রতি যেন সরকার বিশেষ ভাৱে দৃষ্টি দেন। তাদের আশা আকাংখা যেন পূরণ করতে যচেষ্ট হন। এই সরকার যেন অতীতের কংগ্রেসী দুর্নীতির অনুসরণ না করে সম্পূর্ণ দুর্নীতিমুক্ত হন এই আশা করবো। কিন্তু আমার অত্যন্ত দুঃখ হচ্ছে একথা শুনে যে এখনই এই মন্ত্রী সভার সদস্যগণ সরকারী গাড়ী করে পার্টির সভায়, আত্মীয় স্বজনের বাড়ীতে ঘোরা-ফেরা করেন। এসব বন্ধ না করলে এই সরকারের অশেষ দুর্গতি আছে।

মহোদয়, একথা বলে আমি রাজ্যের জনতা সরকার ইতিমধ্যে যেসব ভাল কাজ করেছে, যেমন ১০ বিঘা পর্য্যন্ত জমির খাজনা রেহাই, বিনা মাশুলে দশম শ্রেণী পর্যন্ত লেখা-পড়ার ব্যবস্থা ইত্যাদি কাজের জন্য অভিনন্দন জানিয়ে আমার বক্তব্য শেষ করছি।

শ্রীৰবীন্দ্ৰ মালাকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে আমাৰ বন্ধু শ্ৰীনগেন্দ্ৰ শৰ্মাই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণ সমৰ্থন কৰি যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ মই সমৰ্থন কৰিছো। আৰু মাননীয় ৰাজ্যপাল মহোদয়ক বিশেষকৈ ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ তেখেতে অতি কম সময়ৰ ভিতৰতে অসমৰ বহুখিনি সমস্যা আৰু তাৰ সমাধানৰ কথা তেখেতৰ ভাষণত আঙুলিয়াই দিছে। ইয়াৰ ভিতৰত কৃষি, বান নিয়ন্ত্ৰণ, বাৰ্ষিক পৰিকল্পনা, জলসিঞ্চন, কৃষি আৰু কৃষকৰ সমস্যা, শিক্ষা, স্বাস্থ্য, উদ্যোগ, নগৰ আৰু গাঁৱৰ পৰিকল্পনা আদি সমস্যাৰ বিষয়ে উনুকিয়াইছে। এই খিনিতে মই এটা কথা ব্যক্ত কৰো যে বৰ্তমান জনতা চৰকাৰৰ আগৰ শাসনত অধিষ্ঠিত কংগ্ৰেছী মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই

যোৱাকালি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত কৰা আলোচনা প্ৰসংগত এটা কথা উল্লেখ কৰিছিল যে ৰাজ্যপালৰ ভাষণত সংখ্যালঘু সম্প্ৰদায়ৰ কথা উল্লেখ কৰা নাই। মই উল্লেখ কৰিবলৈ দুখ পাইছো যে তেখেতৰ নিচিনা অভিজ্ঞ লোক এজনে এনে এটা উক্তি কৰিব পাৰে। মই তেখেতক এই খিনিকেই সোঁৱৰাই দিওঁ যে জাতি ধৰ্ম্ম নিৰ্বিশেষে সকলোৰে কাৰণে যথোচিত সুব্যৱস্থা কৰিবলৈ এই চৰকাৰ বদ্ধপৰিকৰ। ইয়াৰ লগতে মই তেখেতৰ কাৰ্য্যকালত তেখেতে কৰা কেইটামান কাৰ্য্যৰ নমুনা দাঙি ধৰো। তেখেত এনে ধৰণৰ মুখ্যমন্ত্ৰী আছিল যি জন লোকে ১৯৭৫ চনৰ ইমাৰজেন্সীৰ সময় চোৱাত যেতিয়া হাজাৰ হাজাৰ মানুহৰ বাকৰোধ কৰি জাৰ্ম্মানিৰ হিটলাৰৰ দৰে একনায়কত্ববাদী মুখ্যমন্ত্ৰী হিচাবে নিৰীহ লোক সকলক শাস্তি দিছিল। লাখ লাখ মানুহৰ মুখৰ মাত ৰোধ কৰিছিল। অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰিছিল। সেই ইমাৰজেন্সীৰ সময়ত তেখেতৰ কাৰ্যকলাপৰ পৰা এইটোৱেই প্ৰতীয়মান হৈছে যে যেতিয়া ৰোম মহানগৰীত জুই লাগিছিল তেতিয়া নিৰোৱে লাখ লাখ মানুহ অৰ্দ্ধদগ্ধ হৈ মৰণ যাতনা ভোগ কৰা সময়ত ৰাজধানীতনিজ কক্ষৰ পৰা পিয়ানো বজাই বজাই সৰ্বসাধাৰণ লোকৰ দুৰ্দশা চাই আনন্দ উপভোগ কৰিছিল। আমাৰ ইমাৰজেন্সীৰ সময়ত মুখ্যমন্ত্ৰী ৰেডিঅওৰ যোগেদি সংগীত, কবিতা আদি ৰচনা কৰিছিল। তেখেতে নিজেও ব্যক্ত কৰিব বিচাৰে যে তেখেত সাহিত্যিক। তেখেতে কবিতা ৰচনা কৰে আনপিনে ৰবীন কলিতাৰ নিচিনা মানুহে গুৱাহাটী জেলৰ ভিতৰত হাত কেৰেয়াতেই মৃত্যু বৰণ কৰিব লগীয়া হৈছিল।

অধ্যক্ষ মহোদয়, ১৯৭৫ চনত জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত একনায়কত্ববাদৰ যি আন্দোলন হল, তাৰ ফলত ১৯৭৭ চনত ভাৰতবৰ্ষত যি ৰাজনৈতিক পৰিবৰ্তন ঘটিলে, ঠিক সেইদৰে লাহে লাহে হলেও অসমতো ৰাজনৈতিক পৰিবৰ্তন ঘটিল। আৰু অসমত জনতা চৰকাৰ প্ৰতিষ্ঠিত হ'ল। অৱশ্যে জনতা চৰকাৰৰ প্ৰতিষ্ঠিত হলেও আমি যিসকল জনতা দলত আছো তেখেত সকলক উৎফুল্ল হোৱাৰ কাৰণ নাই। কিয়নো যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে একচত্ৰী শাসন চলাই আছিল যদিও অসমৰ ৰাজনৈতিক অৱস্থা তেনেকুৱা নাছিল। অতি দুখৰ কথা যে আজি অকল জনতা দলৰেই নহয়, সকলোকেইটি বিৰোধী দলৰে নিজৰ নিজৰ শক্তিও যথেষ্ঠ বৃদ্ধি পাইছে। আনহাতে ৩০বছৰ কাল শাসনত থাকি কংগ্ৰেছ দলৰ শক্তি হ্ৰাস পোৱাটো শুভ লক্ষণ বুলিয়েই কব পাৰি। চাৰ, অসমীয়াত এষাৰ কথা আছে 'প্ৰথমতে চাউল তাৰ পিচতে হৰি কথা।' দুখৰ বিষয় যোৱা ৩০ বছৰে অসমত কংগ্ৰেছ চৰকাৰ আছিল যদিও এই কাল চোৱাৰ ভিতৰত কংগ্ৰেছ চৰকাৰে কোনো ধৰণৰ পৰিকল্পনা কৰি অসমৰ সমস্যা সমাধা কৰিবপৰা নাছিল। অসম সদায় সোণালী শস্যৰে ভৰপুৰ। কিন্তু যোৱা ১৯৫০ চনৰ ভুমিকম্পৰ পিচত ধাৰাবাহিক ৰূপে বানপানী হোৱাৰ কাৰণে অসমৰ শতকৰা দুজন কৃষকেহে কোনোমতে পেটৰ ভাতমুঠি পায়। ইয়াৰ একমাত্ৰ কাৰণ হৈছে বানপানী। আমি জানো যে কংগ্ৰেছ চৰকাৰ শাসনত থকাৰ সময়ত বানপানী হোৱাৰ লগে লগেই বান নিয়ন্ত্ৰণ আচনি লৈছিল। কিন্তু বানপানী শুকাই যোৱাৰ লগে লগেই আঁচনিও নাইকিয়া হৈ গৈছিল। এইটো বৰ দুখৰ কথা। আমাৰ হাজো অঞ্চলত ৬ খন নদী আছে যেনে, চেঁচা, পুঠিমাৰী, বৰলীয়া, পাগলাদিয়া, আৰু নোনা। এই অঞ্চলৰ চাৰিটা সমষ্টিক সম্বাৰ বৰিষা কালত সাগৰ সদৃশ হৈ থাকে। কিন্তু বানপানীৰ পিচতেই গোটেইখন শুকাই মৰুভূমি দৰে হয় আৰু তাৰ ফলত মানুহৰ কাৰণে দূৰৰ কথা আনকি গৰুৰেও খাবলৈ পানী নাপাই মৃত্যু মুখত পৰিব লগীয়া হয়। চৰকাৰে কুৰিদফীয়া আঁচনি কৰিছিল। কিন্তু এই আঁচনিৰ দ্বাৰা চৰকাৰে মানুহকে নেলাগে গৰু, ম'হৰ ঘাঁহ বা দানাকো এইবিলাকত মনোযোগ দিব। মি আশা কৰো আমাৰ জনতা চৰকাৰে নিশ্চয় এইবিলাকত মনোযোগ দিব।

সাধাৰণতে আমি যি নতুন সদস্য তেওঁলোকে এইটো কথা স্বীকাৰ কৰিব যে গাঁৱত খোৱা পানী, ৰাস্তা, স্কুল, কৃষিৰ সা- সুবিধা যেনে, জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণ আদি আৰু আৱশ্যকীয় সামগ্ৰী লোণ, কেৰাচিন আদিৰ সমস্যাই প্ৰধান সমস্যা।

খোৱা পানীৰ বিষয়ত যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ নামত 'টেলিৰ মূৰত তেল দিয়াৰদৰে' যিসকলে কংগ্ৰেছক সমৰ্থন কৰিছিল তেনেকুৱা মানুহৰ এলেকাত ভিতৰুৱা হলেও দমক'ল আদি দুই এটাৰ ব্যৱস্থা কৰিছিল। কিন্তু বাকী বিলাক ঠাইলৈ তেওঁলোকে পিঠি দিছিল। বৰভাগ অঞ্চলটো হাজো সমষ্টিত নতুনকৈ জাপি দিয়াহৈছে। তাৰ মানুহ বিলাকে খাল খান্দি খান্দি পানী খাবলগীয়া হৈছে। একেটা খালতে মানুহেও পানী খায়, গৰুৱেও পানী খায়। আৰু সেই খালৰ পানী বিলাক হৈছে বেঙে মুটা পানী আজি কংগ্ৰেছ চৰকাৰে যোৱা ৩০ বছৰেও তাত খোৱা পানীৰ যোগান ধৰিব নোৱাৰাটো বৰ দুখৰ বিষয়।

ৰাস্তাৰ কথা কওঁ যে যিদিনাৰ পৰা শ্ৰীশৰত সিংহই শাসনভাৰ গ্ৰহণ কৰিলে তেতিয়াৰ পৰাই মই নিজেই বাসকৰা আমবাৰী অঞ্চলৰ ৰাস্তাটো বাৰিষাৰ নদীৰ দৰে হয়। তাত আজি ১০ বছৰেও শিলগুটি পৰা নাই। গাওঁ অঞ্চলৰ কথা আৰু কি কব লাগিছে।

স্কুলৰ কথা উল্লেখ কৰিবলৈ যাওঁতে মই কওঁ যে ১৯৫০ চনত শ্ৰদ্ধেয় শ্ৰীৰাজবংশী চাৰৰ লগতে মইও চছিয়েলিষ্ট পাৰ্টিত আছিলো। যি খন স্কুল হৰেশ্বৰ গোস্বামীক সভাপতি কৰি লৈ মিটিং কৰিব খুজিছিল তাত আমাৰ মিটিং কৰিব নিদিলে। সেই কাৰণে আমি পথাৰত মিটিং পাতিব লগা হল। অথচ সেই স্কুলত কংগ্ৰেছী সকলে মিটিং কৰিব পাৰিছিল। জৰুৰী অৱস্থাৰ সময়ত কংগ্ৰেছী সকলে মেনেজিং কমিটি আদিও তাত টিঘিলঘিলাই আছিল। গতিকে আমাৰ জনতা দল আৰু চৰকাৰে তেনে নকৰিব বুলি আশা কৰো আৰু ভাবো যে ব্যক্তি, ক্লাব আদিৰ সাংবিধানিক স্বাধিনতা জনতা চৰকাৰ বা জনতা দলে ৰক্ষা কৰিব। কৃষিৰ সুবিধাৰ কাৰণে এটা কথা কওঁ যে বান নিয়ন্ত্ৰণৰ কাৰণে অনা ড্ৰেজাৰ দুখন এতিয়াও ফাঁচিবজাৰৰ ঘাটতে পৰি আছে। বান নিয়ন্ত্ৰণৰ এয়ে আছিল নমুনা। বাৰিষা হলেই তেওঁলোকে বেনাৰ হেড্‌লাইনেৰে বাতৰি কাকতত প্ৰকাশ কৰে ফ্লাদ কন্ট্ৰোলৰ কথা আকৌ বাৰিষা পাৰ হলেই সেই কথা পাহৰি যায়। কংগ্ৰেছ চৰকাৰে যি কৰিলে কৰিলে জনতা চৰকাৰে হয় বান নিয়ন্ত্ৰণ কৰিব লাগে নতুবা যদিহে বান নিয়ন্ত্ৰণ কৰা সম্ভৱনাৰ নহয় তেনেহলে অন্ততঃ খৰালীৰ ৬ মাহত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে যাতে আমাৰ খেতিয়ক সকলে গম বা অন্য ধান খেতি কৰি হলেও যাতে ৬ মাহৰ বাবে হলেও পেটৰ ভাত মুঠি মোকলাব পাৰে।

অধ্যক্ষ মহোদয়, মই আৰু বেছি কথা কবলৈ ইচ্ছা নকৰো কেৱল কথাৰ বিৰোধী দলৰ দুজনমান মাননীয় সদসাই উত্থাপন কৰা কেইটামান বিষয়ত অলপ কৈ মোৰ বক্তৃতা শেষ কৰিম। জৰুৰীকালীন অৱস্থাৰ সময়ত চিলিং আইনৰ সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিছিল পঞ্চাশ বিঘালৈকে। কিন্তু তেনেকুৱা কেচ প্ৰায় বিশ হাজাৰতকৈও বেছি পৰিমাণে এতিয়াও অসম চৰকাৰৰ ওচৰত পৰি আছে। জৰুৰী কালিন অৱস্থাত ডি-চি আৰু এ-এচ-ওৰ লগত কথা হোৱাত তেওঁলোকে কৈছিল যে তেওঁলোকৰ কৰিবলৈ একো নাই সকলো ওপৰৰ পৰা হৈ আছিল। কোনো কোনো ঠাইত দহ জন পট্টাদাৰৰ নামৰ ঠাইত এজনৰ নামত মাটি দেখুৱা হৈছে আৰু তাৰ দ্বাৰা চিলিংৰ অন্তৰ্ভুক্ত কৰি মাটি অধিগ্ৰহণ কৰা হৈছে। প্ৰকৃততে কাৰ পৰা মাটি পৰ পাৰি সেই কথা চোৱা হোৱা নাছিল। ঠিক তেনেকৈ টেনেন্সি আইনৰ ক্ষেত্ৰতো আধিয়াৰ বা ৰায়তেই হওক প্ৰমাণ পত্ৰ থাকক বা

নাথাকক কথা নাই মণ্ডলে নাম লিখি দিলেই হৈ গ'ল, তেনে ধৰণে বহুত খেলিমেলি হৈ আছে। সেই বিলাক কেচৰ সুব্যৱস্থা নতুন জনতা চৰকাৰে কৰিব বুলি আশা কৰিলো। ইয়াৰ পিচত চৰ অঞ্চলৰ কথা কেইটামান কবলৈ ইচ্ছা কৰিছো। আমি চৰ অঞ্চলৰ প্ৰতিনিধি। এই বিধান সভাত মাননীয় সদস্য চান মহম্মদ আৰু আক্ৰাম হুচেইন ডাঙৰীয়াও চৰ অঞ্চলৰ পৰা আহিছে। কিন্তু চৰঅঞ্চলৰ কোনো কোনো মানুহৰ মাটিবাৰী আদি নাই বুলি কয়। নগৰীয়া আদি চৰঅঞ্চলত হিন্দু মুছলমান দুয়ো জাতিৰ গোৰাল আছে। তেওঁবিলাকৰ ম'হ আদি ৰাখিবৰো ঠাই নাই। কোনো ঠাইত কিছুদিন কাৰণে ৰাখিলেও তাৰ পিচত আকৌ আন ঠাইলৈ স্থানান্তৰিত কৰিব লগীয়া হয়।ফলত এই মানুহখিনিৰ থাউনি নোহোৱা অৱস্থা হৈছে। চৰ অঞ্চলৰ এই মহৰৰা মানুহখিনিক সু-ব্যৱস্থা কৰিবলৈ মই নতুন জনতা চৰকাৰক টানি অনুৰোধ জনালো। বন্ধুবৰ আক্ৰাম হুছেইন ডাঙৰীয়াই কথাটো যিহেতু বিধান সভাত উত্থাপন কৰিছে মই মানুহখিনিক ভাৰতীয় নাগৰিকত্ব দিব নালাগে বুলি নকওঁ কিন্তু আমাৰ গোৰালসকলেও মহখিনি চৰাবলৈ সুবিধা পাব লাগে।

ইয়াকে কৈ মোক কথাখিনি কবলৈ সুবিধা দিয়া কাৰণে অধ্যক্ষ মহাশয়ক ধন্যবাদ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

Shri BINOY KUMAR BASUMATARY:—Hon'ble Mr. Speaker, Sir, I wish to second the motion of thanks on the Governor's address moved by the Hon'ble Member Shri Nagen Sarmah. Thereby, I particularly object to the amendment on the motion moved by Shri S. C. Sinha, the Hon'ble Leader of the Opposition because his arguments supporting the amendment from his groups are not true. Sir, in his argument Shri Sinha himself said that the Governor's address consisted of achievement during his tenure as the previous C. M. of Assam and that it also consisted a projection of plans and programmes of the present Government for the ensuing new financial year.

Hon'ble Speaker, sir, I beg to refer to the actual beginning of the report dealing the state of affairs in the State of Assam. Sir, under the subject of law and order, the first sentence beigns as follows. "The law and order situation in the State caused certain strain on the administration etc., etc." Sir, I happen to be a only Graduate of Gauhati University and according to the English Language I learned there, this beginning does not signal a flowery picture of the shape of the State.

Sir, the reference that "certain strains" were there speaks itself. To me, it is a most magnanimous reference to the misdeeds of congress regime by the present Govt. Beacause, if the Governor's address fully contained hideous reports of facts of injustice to the people of Assam, his address would not be a respectable address, and if the Govenor would have to speak of these dark deeds, the exalted position of the Governor would have been reduced to an of office of abuse.

Sir, I, on behalf of P. T. C.A. and as an active partner in the Govt. congratulate the present Govt. for being so roestrained and for upholding the dignity of the Governor and for behaving in a respectable manner of fall on partymen who suffered an ignominous defeat at the hands of the people of Assam.

Sir, the Hon'ble Member, Shri Sinha has taken pains to state that the Congress party is more popular than the party in power. He said that it was in Assamese 'অদৃষ্টৰ পৰিহাস' that the Janata and its allies are in power inspite of their unpopularity.

However, sir, it is the will of 'God' that though we are unpopular, we are still in power. Because 'God' decided that the weak should be strong and that the people on whom untold indignities have been perpetrated should saddle the horse. Thereby the Almighty has decreed that the violators of human dignity and honour should face the ignominy of defeat.

This election also clarified that money power dose not attract the masses any more. Because in my constituency the Congress candidate poured money. Rice and other things sanctioned for the victims of flood that occured during the summer of 1977 were selectively distributed in my constituency. Why distribute this relief in the month of February/78 ? Is there flood now? or is it that these reliefs were distributed to the ghosts of the victims who died at Kahibary Rail Accident due to flood? Mr. Speaker, sir, various languistic groups have been forced away from Assam because of the ears while congress rule. They are saying that we are making unholly alliance with the Janata Party. Our feeling is that Mr. Sinha and party may think it as unholy. Whenever the tribal peopls launch a movement for their just demands they term them as unholy. They have denied our constitutional rights. We are making an alliance with the Janata Party with trust and confidence. It is an alliance of trust and confidance. We thank the honourable members Shri Sarat Ch. Sinha and Shri Ranen Basumatary for raising the issue of Udyachal dipomatically We know they want us to be seperated. Sir, you know that under Congress regime, Assam has been Balkanised. Every group had to assert for their right. This demand of separation is the result of constant suppression of our tribal people. It is the call for freedom of expression and the right to live as human being. The congress party has said that it is an unholy allance. It means that tribals are unholy and that tribals have no right to share power in Assam, even if they are the prescriptive citizens of Assam this is what according to hohourable member Shri Ranen Basumataryis. This is a feeling of jealousy and of a betrayal at of tribal people.

Shri RANEN BASUMATARY:—Sir. I am taking exeeption to it. I wantto challenge ( interruption ).

HONOURABLE SPEAKER—I hope the honourable member will withdraw the word 'betrayal' This is not parliamentarys

Shri BINOY KUMAR BASUMATARY :— I withdraw it. sir, Honourable member Shri Ranen Basumatary has been associated with the revious governments. His last post was the Chairman of the Assam Public Service Commssison. During the last congress Government I challenge Shri Basumatary if he would fulfill the aspiration of the tribal people. How many tribal were getting jobs during his tenure. Can he tell me how many tribal clerks are there in the D. C's. court of Kamrup at Gauhati ?

Now, sir, regarding land, 75% of our people are cultivators. I want to draw your attention of a project in my area where hundreds of miles have been evicted. But the Government did dot think about their rehabilitation. Here, in the newly constructed capital Complex of Assam the original tribal inhabitants have been evicted. Neither they have been rehabilitated nor their sons and doughters are posted in any Government job in compensation. In this way the Plains Tribal people of Assam who are in need of land, are being deprived by the way or that way. In spite of clear cut policy of the Central Government, the State Government had not done anything to settle the problems of the tribal people and they evicted the innocent people under the garb of emergency. The Tribal people have become refugees including myself in our own land. The Congress Government has made us homeless and destitute.

For instance, initially 33 Tribal belts and block were created in Assam, covering an area of 5704 Sq.miles in 1946, and they now stands at 31 belts and blocks.

It is to be noted that the present capital of Assam at Dispur was known as the South Kamrup ( Gauhati ) Tribal belt and it is constituted vide order No. RD/74/46/161 dated 27th Febuaruy 1950.

When the new capital of Assam was located here, the Tribals living in this area were evicted to build the new capital complex.

The evicted tribals have not been rehabilitated anywhere in the State of Assam. To-day, they are virtually refugees, seeking shelter in the nearby hills under Meghalaya.

Similarly, a sizeable part of North Lakhimpur ( Sub-mountain ) Tribal belt declared vide letter No 92/46/34 dated 24th April 1958 has been excluded from this belt area.

To-day, there are thousand of illiterate, landless plains tribal farmers in Assam, who are in urgent need of land for their very subsistence. But inspite of the Central Government's policies, the previous State Government of Assam has done nothing to settle land with the tribals.

Besides these, we wish to bring to your notice, honourable sir, that atleast 30% to 40% land within the duly constituted tribal belts and blocks have been allienated under the active encouragement of the previous government by flagrantly violating our constitutional rights and protections.

Land settlement operations, in predominantly tribal areas *like* Balipara Frontier tracts and Jonai transferred areas, and North Lakhimpur district, which are unsettled areas are suspended after the surveys in 1970-72. Meanwhile, large influxes of non-tribals into these areas, though these are recognised tribal areas.

In this connection, the interim report of the sub-committee of the Advisory Council for the Scheduled Tribe ( Plains ) constituted under order No. AD/ACB/87/74/22 dated 25th July 1974 can be referred. Will this findings be taken into consideration ? Will the Government find out what happened to this reports ?

Now, in the matter of irrigation sir, that some new project has been installed in my constitutency where large areas of cultivable land and homestead land has been encroached by the government machinery. Fertile cultivable paddy land has been ripped apart and dug out. The unfortunte tribal cultivators where given hopes that they will be given due compensation. Accordingly the poor people used to visit the offices and Officers and they wait from morning till night but the Officers went out of the office by back door. In this way hundreds of families lost their land, bettlenut, orchards planted by their forefathers. This is the state of affairs going on in my constituency. No compensation has been allotted to them. There are great necessity for a sluice gate and canals but these have not been provided. Again the river Dhansiri has silted the entire area with sands. Unless this siltage problem is solved, there is no alternative for removing the sufferings of the tribal people.

Now, regarding Industries there is a standard in the entire country in India for declaring areas as "under developed". By that standard Assam can be declared a backward area and therefore, I feel the entire area of Assam should be declared as industrially 'backward area". Regarding cooperatives, the sorry state of affairs in the cooperative societies, particularly, in my Subdivision should be enquired and acted upon ; which is due to intentional negligence of the authorities. When paddy was procured our people received reduced amount of payment. When the Governmenthad fixed the price at Rs 29/or Rs 30/, the price was deducted in various ways. When price was fixed at Rs. 29/- people received only Rs 22/- or Rs. 23/ due to moisture cut, dust out and what not. This was the state of affairs of the cooperative societies. But we are very happy that this is now removed due to new policy of free trade. But there are other things of which we should take notice of. A reference was made that the poor people were forced to subscribe the share-capital to the Samabai Samitis so as to secure a share-capital of Rs 10,000/ with a view to secure Rs 50,000/- as the Government share. These are the cooperatives of the local people. But all the Secretaries of the socie ies are State Government employees. Huge sums of money has already been defalcated in tribal areas, particularly I would like to mention about my Samity at Harisinga. One Shri Madhab Deka defalcated atleast Rs 4,749/- out of the share capital of Rs 10,000 during 1973-74 and another Shri S. N. Sarma defalcated Rs 3,800/- from fresh share-capital and Rs 16,200/- working capital during 1974-75. This was brought to the notice of the previous Government ; but no action has yet been taken. We now hope this present Government will look into this. Sir, regarding Governor's address I will make a short reference about minorities and backward people. Very little importance is given on the development of the tribal people and backward people. Today we are very sorry that our problems have been dealt with only in 4 lines. Whereas Government figures shows that there are atleast 14 lakhs of tribal people according to 1970 Census. Now we hope and trust this Government will be able to solve the problems of the tribal people amicably and with this approach and hope, I conclude my speech on the motion of thanks.

* কালিৰাম ডেকাৰজা ঃ—অধ্যক্ষ মহোদয়, এই বিধান সভাত ৰাজ্যপালৰ ভাষণৰ বিৰুদ্ধে যি মোচন আনিছে তাৰ সমৰ্থনত মই দুআষাৰ কব বিছাৰিছো । অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাত আমাৰ যি নতুন জনতা চৰকাৰ গঠন কৰা হৈছে, মই দেখিছো কালিৰে পৰা এই জনতা চৰকাৰে আগৰ চৰকাৰে কি কাম কৰিছিল তাৰে মাত্ৰ সমালোচনা কৰি আছে । এই চৰকাৰে তেওঁলোকৰ ভাল বেয়া কুৰলৈ নগৈ, আগৰ চৰকাৰৰ পাৰ্তান মেলি শান্তি লভিবলৈ বিছাৰিছে । আজি জনসাধাৰণে যিটো ৰায় দিছে সেই মতেহে এই জনতা চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছে ।

(গণ্ডগোল)

অধ্যক্ষ মহোদয় মই এটা কথা কবলৈ বিছাৰিছো যে, মোৰ কথা কো?াৰ মাজত যদি কোনোবাই ইনটাৰফিয়াৰ কৰে তেনেহলে মইও কৰিবলৈ বাধ্য হম ।

অধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ জনতা চৰকাৰৰ চাপলাই মন্ত্ৰী বৰুৱা ডাঙৰীয়াই কৈছে যে প্ৰয়োজনীয় বস্ত সমূহ চাবচিডাইজ ৰেটত দিয়া হব । বিশেষকৈ তেখেতে মচুৰ দাইলৰ কথা কৈছে । আমাৰ অসমত প্ৰায় ডেৰ কোটিৰো ওপৰ মানুহ আছে । গতিকে একোজন মানুহক ধৰা যাওক ১০ দিনত এক কেজিকৈ দালি লাগিল আৰু প্ৰতিকেজি দালিৰ দাম এটকাকে কমাই ধৰিলেও, বছৰত ২ কোটিৰো ওপৰ টকা লাগিব । এই গতিকে অধ্যক্ষ মহোদয় এই টকা কৰ পৰা কেনেকৈ আহিব সেইটো হলে কোৱা নাই । আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰী য়েও এটা কথা কৈছে যে, ১০ বিঘা মাটিৰ ওপৰত খাজনা ৰেহাই দিয়া হব। আৰু মৌজাদাৰী চিচটেম উঠাই দিয়া হব। যিটো কালেকচন কৰা হয় সেই কালেকচন টো পঞ্চায়তৰ যোগেদি কৰিম বুলি কৈছে । কিন্তু মই কব খুজিছো যে সেইটো সম্ভৱ পৰ নহব । আমাৰ মাননীয় জেহৰুল ইচলাম ডাঙৰীয়াই নিজেই মহকুমাত কাম-কৰি আহিছে । তেখেতে ভালদৰেই জানে, মহকুমা আৰু পঞ্চায়ত বিলাকৰ টেক্স কালেক্ট কৰাটোৱেই একমাত্ৰ কাম নহয় । মৌজাদাৰৰ যোগেদি যেনেকৈ ৰাজহ সংগ্ৰহ কৰা সুবিধা হব কিন্তু মই ভাবো পঞ্চায়তৰ যোগেদি কেতিয়াও সম্ভৱ নহয় ।

(ভইচ—এখেতৰ মৌজা আছে নেকি ?) —— —— —— —— ——

মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিছাৰিছো যে মোৰ মৌজাও নাই আৰু মৌজাদাৰো নহয় ।

তাৰ পিচত প্ৰত্যেক গাঁৱতে একোখনকৈ এল, পি, স্কুল হব বুলি জনতা চৰকাৰে ঘোষণা কৰাৰ লগে লগে এইটোও ঘোষণা কৰিছে যে এনে এখন স্কুল নেথাকিব যত লৰাছোৱালীক পঢ়াবলৈ কোনো আগবাঢ়ি নথকাকৈ নেথাকিব । যদি স্কুল বিলাকত সকলোবিলাক সা-সুবিধা দি ধুনীয়া কৰি তুলিব পাৰে তেতিয়াহলে, আমি তাৰ কাৰণে ধন্যবাদেই দিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, জনতা চৰকাৰে সমবায়ৰ জৰিয়তে নিত্যু প্ৰয়োজনীয় জিনিষপত্ৰ আদি যিটো প্ৰতিশ্ৰুতি দিছে সেইটোৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। সমবায়ৰ যোগেদি ফিচাৰিৰ কামটো কৰিবলৈ স্পষ্টনীতি লোৱা হব বুলি চৰকাৰে যিটো ঘোষণা কৰিছিল সেইটোৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নাই । সমবায়ক ৰিঅৰ্গেনাইজ

কৰা হব বুলি যিটো ব্যৱস্থাৰ ঘোষণা কৰা হৈছিল সেইটোৰো কোনো উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। সমবায়ৰ যোগেদি যিটো কাম কৰা হব' বুলি চৰকাৰে ফিছাৰিব সংক্ৰান্ত ঘোষণা দিছিল সেই প্ৰতিশ্ৰুতি আজি পালন কৰা হোৱা নাই।

মেডিকেল বিভাগৰ সম্পৰ্কত যিবিলাক কথা কোৱা হৈছে সেই সংক্ৰান্তত আমি বেছ ভাল পাইছোঁ। কিন্তু যি বিলাক ঠাইত কোনো হস্পিটাল আদি নাই সেইবিলাক ঠাইত হস্পিতাল কৰাৰ কাৰণে কোনো নতুন আঁচনিৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ১৯৭৭-৭৮ চনৰ কাৰণে ১৫৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰ কৰা হৈছে। বানপানী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত বিশেষকৈ দিহিং সুৱণশিৰি নাম উল্লেখ কৰা হৈছে। আমি সেইটোত বেয়া পোৱা নাই কিন্তু তাৰ লগে লগে অন্যান্য বিলাক ঠাইটো গুৰুত্ব আৰোপ কৰিব লাগিব। বিশেষকৈ আমাৰ নগাওঁ জিলাৰ পশ্চিমাংশৰ প্ৰায় ১৬ কিলোমিটাৰ মান জেগাত বানানিয়ন্ত্ৰণৰ কাৰণে কোনো বান্ধ আদি নিৰ্ম্মাণ নকৰাৰ কাৰণে আজিলৈকে সেইবিলাক ঠাইত মানুহৰ দুখ দুৰ্গতিৰ অন্ত নাইকীয়া হৈছে। গতিকে বান্ধ দিয়াৰ ক্ষেত্ৰত অকল দিহিং আৰু সুৱণশিৰিৰ কথা কলেই নহব। কেইজনমান সদস্যই কৈছে যে দুৰ্নী পৰায়ণ চৰকাৰী বিলাকক বিহিত ব্যৱস্থা লব' লাগে। কংগ্ৰেছৰ দিনত চৰকাৰী কৰ্ম্মচাৰী সকলে কংগ্ৰেছত ভৰ্ত্তিহলেহে বিহিত ব্যৱস্থা লোৱা নহব বুলি দিয়াৰ ভাবুকি দিয়া হৈছিল বুলি অপপ্ৰচাৰ চলাই এতিয়াও জনতা চৰকাৰৰ দিনতো সেইদৰে জনতাপাৰ্টিৰ লগত সহযোগ নকৰিলে বিহিত ব্যৱস্থা লোৱা নহব বুলি হুমকি দিছে। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এটা কথা উল্লেখ কৰিছিল যে A decision was taken in the Cabinet for one year's remission to all prisoners in the State on the birth day of Lokanayak Shri Jayprokash Narayan. কিন্তু অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত এইটোৰ কোনো উল্লেখ নেপালোঁ।

আৰু এটা কথা হৈছে যে, স্থায়ী ৰাজধানী কত নিৰ্ম্মাণ কৰা হব সেইটোৰ কোনো উল্লেখ ৰাজ্যপালৰ ভাষণত আমি দেখা নেপালোঁ। এই কথাটোৰ উল্লেখ ৰাজ্যপালৰ ভাষণত উল্লেখ নেপালোঁ। অধ্যক্ষ মহোদয়, তাৰোপৰি, অসমত তিনিখন দলং হব বুলি আৰম্ভণিৰে পৰাই কৈ থকা হৈছে যদিওসেই দলং কত হব সেইটোৰ কোনো উল্লেখ নাই। যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে একো কাম কৰা নাই বুলিয়েই জনতা চৰকাৰেও এতিয়া একো কাম নকৰিবনেকি? যিবিলাক কাম কৰিম বুলি জনতা চৰকাৰে প্ৰতিশ্ৰুতি দিছে সেই বিলাকৰ সম্যক কোনো উল্লেখ ৰাজ্যপালৰ ভাষণত আমি দেখা পোৱা নাই। জনতা চৰকাৰে ১০ বিঘা পৰ্য্যন্ত মাটি থকা সকলক ৰাজহৰ পৰা ৰেহাই দিয়া হব' বুলি ঘোষণা কৰিছে যদিও যিবিলাক মানুহৰ ঘৰ নাই আৰু মাটি নাই সেইবিলাকৰ কাৰণে কি কৰিব খুজিছে সেইবিলাকৰো উল্লেখ থাকিব লাগিছিল। ১০ বিঘালৈকে ৰাজহ ৰেহাই দিয়াৰ ফলত ৭০ লাখ টকা লোকচান হব। কিন্তু যিবিলাক মানুহৰ মাটি ১০ বিঘাতকৈ বেছি সেই বিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হব সেইটোৰ কোনো ব্যৱস্থাৰ উল্লেখ নাই। বেছি মাটি থকা লোকেও ১০ বিঘা মাটি আছে বুলি দেখুৱাব পাৰে।

শ্ৰীচিৰাজুল হক :—মহামান্য মাননীয় অধ্যক্ষ মহোদয়, আমি ৫ জনৰ ভিতৰত মযো এজন যি ৫ জনে জনতা চৰকাৰ গঠনত সহযোগ কৰিছো।

প্ৰথম জনতা চৰকাৰৰ ৰাজ্যপালৰ যিটো ভাষণ সেই ভাষণত সংশোধনী আনিব নালাগিছিল কিন্তু আমি কিছুমান কথা দেখিছো কংগ্ৰেছ চৰকাৰেও কথা বেছি কৈছিল কিন্তু কাম কম কৰিছিল। আমাৰ ৰাজ্যপাল মহোদয়েও চমু ভাষণ দিছে কিন্তু কাম বেছি কৰিব বুলি ধাৰণা কৰা হৈছে তথাপি সন্দেহ কাৰণেই এই সংশোধনী আনিবলগীয়া হৈছে।

অধ্যক্ষ মহোদয় যোৱা ৩০ বছৰত কংগ্ৰেছ চৰকাৰে কি কৰিলে নকৰিলে তাৰ এটা খতিয়ান পৰ্য্যালোচনা কৰা অত্যন্ত আৱশ্যকীয় হৈ পৰিছে। সেই খতিয়ান পৰ্য্যালোচনা নকৰাকৈ জনতা চৰকাৰে সেই একে কাম কৰিলে বা সেই নীতি অৱলম্বন কৰিলে দেশখনক ধ্বংসৰ পথলৈ লৈ যোৱা হব। অধ্যক্ষ মহোদয়, মই যিটো সমষ্টিৰ পৰা আহিছো সেইটো হল সৰুক্ষেত্ৰী সমষ্টি। সেই সমষ্টিৰ মানুহ বেছিভাগেই গৰীব। অসমৰ ভিতৰত যদি পিয়ল কৰে তেনেহলে এই সমষ্টিতে আটাইতকৈ বেছি ভিক্ষাৰী হব বুলি মোৰ বিশ্বাস আছে। ইয়াৰ কাৰণ কি? ৩০ বছৰ আগতে যেতিয়া বৃটিশ চৰকাৰ আছিল তেতিয়াও এই সমষ্টিৰ মানুহে পইছাৰ কাৰণে মাটি কাটিবলগা হোৱা নাছিল বা মাছ বিক্ৰী কৰি খাবলগা হোৱা নাছিল। আগৰ দিনত এই ঠাইবিলাকত মানুহে মাটি কাটিলে এঘৰীয়া কৰি থৈছিল। এই তিৰোতা বিলাকে মুৰৰ ওৰণী গুচোৱা নাছিল কিন্তু সেই তিৰোতাৰ আজি দাৰিদ্ৰতাৰ কাৰণে ২-৩ টকাত নিজৰ দেহা বিক্ৰী কৰি লৰা ছোৱালীক পোহপাল দিবলগীয়া হৈছে তাকো বিহাৰী ৰিক্সাৱালাৰ তাত। মোৰ সমষ্টিত আজি শতকৰা ৬০ ভাগ মানুহে মাটি কাটি জীৱিকা উপাৰ্জন কৰিছে। গধুলী মাটিকাটি ২-৩ টকা পাই কোনোৰকম লৰা-ছোৱালীক পোহপাল দি আছে। যি তিৰোতাই ওৰণী প্ৰথা মানিছিল দাৰিদ্ৰতাৰ কাৰণে আজি ভিক্ষাৰ জোলোঙা লৈছে। গতিকে এইবিলাকৰ এটা খতিয়ান লোৱাৰ দৰকাৰ হৈ পৰিছে। অধ্যক্ষ মহোদয়, সৰুক্ষেত্ৰী সমষ্টিত ৪টা নদী আছে-পহুমাৰা, কালদিয়া, টিহু আৰু পলা। প্ৰথম আৰু দ্বিতীয় পৰিকল্পনাত এই নদীত মঠাউৰী দিয়া আঁচনি লৈছিল কিন্তু মঠাউৰী আৰম্ভ কৰি কিছু কাম কৰি সৰুক্ষেত্ৰী সমষ্টি পোৱাৰ লগে লগে আঁচনি বন্ধ কৰি দিয়ে। অথচ সৰুক্ষেত্ৰী সমষ্টি দ ঠাইত অৱস্থিত অঞ্চল। এই মথাউৰিবিলাক নোহোৱাৰ কাৰণে বছৰে বছৰে দুখীয়া খেতিয়ক সকলৰ শস্য নষ্ট কৰে সেই বিষয়ে চিন্তা কৰিবলৈ চৰকাৰ নাই। কংগ্ৰেছ চৰকাৰৰ দিনত এই ঠাইত কোনো কাম নহল। যোৱা ৬ বছৰত চকাৰে আঁচনি ললে যে শীতকালীন খেতি কৰিব আৰু খেতিয়কক খেতি কৰাৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰি দিব। কিন্তু এই সমষ্টিত সোমাবলৈ কোনো ৰাষ্টা-ঘাট নাই আনকি গৰুগাড়ীও নচলে। বেংকৰ মানুহ যাব নোৱাৰে কাৰণে বেংকে লোন নিদিলে। অতি আচৰিত কথা ৭২ হাজাৰ ভোটাৰৰ সমষ্টিটোত ৰাষ্টা ঘাটৰ এই অৱস্থা। কিছুমান ঠাইত ৰাষ্টা বন্ধা কাম আৰম্ভ কৰা হল যেনে কয়াকুছি, ফিঙুৱা, মাজদিয়া, চতনা এই ৰাষ্টাবিলাকত মাটিৰ কাম সম্পূৰ্ণ কৰা হল কিন্তু আজিলৈ দলং নহল যাৰ ফলত অন্য টেৰ গাড়ী যোৱা দূৰৰ কথা গৰু গাড়ীও যাব নোৱাৰে আৰু যাব কাৰণে এই অঞ্চলৰ সকলো ৰাইজে বেংক বা অন্যান্য সা-সুবিধাৰ পৰা বঞ্চিত হৈছে।

অধ্যক্ষ মহোদয় আপুনি শুনি আচৰিত হব ১৯৭৬ চনত মই যেতিয়া মহকুমা পৰিষদৰ কাউন্সিলৰ আছিলো নলীগাঁৱত স্মল পক্স হল কিন্তু ডাক্তৰৰ সেৱা পাবৰ কাৰণে দিল্লীলৈ লিখালিখি কৰিহে তাৰ ৰাইজে এম, বি, বি, এচ ডাক্তৰৰ মুখ দেখিবলৈ পায়। এই অঞ্চলৰ ৰাইজে এতিয়াও চিকিৎকাৰকাৰণে ওজা বা ফকিৰৰ আশ্ৰয় লবই লাগিব তাত এমবিবিএচ ডাক্তৰৰ ব্যৱস্থা নাই। এই অঞ্চলটোত অৱহেলাৰ সীমা নাই। কংগ্ৰেছ চৰকাৰে বৰ অবিচাৰ কৰিলে। সেই কাৰণে মই জনতা চৰকাৰক নিবেদন কৰিছো ভিক্ষাৰীৰ সংখ্যা উলিয়াবলৈ এই অঞ্চলটো চাৰ্ভে কৰক আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰক।

অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে সংবিধান মতে অনুসূচীত জাতি আৰু জনজাতীয় লোক সকলক সুবিধা দিয়াৰ কাৰণে ব্যৱস্থা ৰাখিছে । কিন্তু মই নিবেদন কৰিব খুজিছো যে মোৰ সমষ্টিত সংখ্যালঘু তেনে সম্প্ৰদায়ৰ লোকসকলৰ কাৰণে বিশেষ কোনো সুবিধা আগবঢ়াৰ পৰা নাই । আনকি ৰাস্তা পদুলি আদিও অনুসূচীত, জাতি বা জনজাতীয় এলেকা অথবা মুছলমান এলেকাত শেষ হৈছেগৈ মাত্ৰ । গতিকে মই নতুন জনতা চৰকাৰক এই সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি নজৰ দি উন্নতি বিধানে কৰিবলৈ অনুৰোধ জনালো । আশাকৰো মাননীয় অধ্যক্ষ্য মহোদয় মোৰ লগত এই কথাত একমত হব । জনালো । আশাকৰো মাননীয় অধ্যক্ষ মহোদয় মোৰ লগত এই কথাত একমত হব । অঞ্চল বিলাকত বহু মানুহক সন্দেহ কৰি পুৰণা চৰকাৰে ভাৰতীয় নাগৰিকত্ব দিয়া নাছিল । মই আশা কৰিছো নতুন জনতা চৰকাৰে সেই লোকসকলক যিসকলে আমাৰ মাটিত খেতি কৰি জীৱিকা নিৰ্বাহ কৰি কৰি আছে ভাৰতীয় নাগৰিত্ব দিয়াৰ সুবন্দবস্ত কৰিব ।

(সময়ৰ সংকেত)

আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত একো কথা উল্লেখ কৰা নাই । অথচ গুৱাহাটীৰ পেপাৰত তেনে কেলেংকাৰীৰ কথা ওলাই গৈছে আৰু গুৱাহাটী চিনিয়ৰ আদালতত ৩৩৯-২ নম্বৰ মতে কেচ চলি আছে । এজন মন্ত্ৰীৰ ভতিজাকৰ নামত ।

শ্ৰীগোলোক ৰাজবংশী ঃ—চাবজুডিচ্ হলে আলোচনা কৰিব নোৱাৰিব ।

**Shri GIASUDDIN AHMED** : Mr. Speaker, Sir. I could not understand the procedure being followed for calling members to speak.

**Mr. Speaker** : It is the discretion of the Speaker. I am going according to the time allotted to each party and half of the time has not been consumed by the ruling side whereas more than 50% time has been already consumed by the opposition parties together.

**Shri GIASUDDIN AHMED** : That is the absolute discretion of the Speaker, but I wanted to know the procedure.

**Mr. Speaker** : I am doing it so that all the parties are covered one by one.

**Shri GIASUDDIN AHMED** : From our side only one member has spoken uptill now.

**Shri JOGEN GOGOI** : Mr. Speaker, Sir. All should have a chance to speak.

**Mr. Speaker** : Yes.

শ্ৰীছিৰাজুল হক ঃ আইন শৃংখলাৰ কথা উল্লেখ থকা উচিত আছিল। বেনাৰসত বিক্ৰী কৰিবলৈ মন্ত্ৰী গৰাকীয়ে লাইচেন্স দিছে। সেইটো কেচ চলি আছে। ১৯৭৭ চনত হাতী দাঁতৰ প্ৰতি কেজিত ৫৬১.৬৮ টকা দৰ আছিল কিন্তু বিকউপ ৰিপোৰ্ট থকা সত্বেও সেই লোকজনক লাইচেন্স দিয়া হল আৰু ১৯৬৮ চনত প্ৰতি কেজিত দুশ টকাকৈ দৰত দি দিয়া হ'ল। সেই বিষয়ত মই জনতা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। লোক দুজন

আছিল শ্যামৰাম দাস আৰু গকুল দাস। এই ধৰণে আৰু যে কিমান বে আইন লাইচেন্স দিয়া হৈছে তাৰ হিচাব কোনো ৰাখিছে? এই বিলাক কথালৈ চোকা দৃষ্টি দিবলৈ মই জনতা চৰকাৰক অনুৰোধ জনালোঁ। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri FAKRUL ISLAM— Mr. hon'ble Speaker, Sir, with your kind permission I would like to take my stand to support the motion of thanks moved by the hon'ble member, Shri Nagen Sarma and seconded by the hon'ble member, Shri Nagendra Barua. In this connection, I have noted with care various amendments moved by different parties and different groups of the opposition, particularly Shri Sarat Chandra Sinha and other spokesman of different parties. But I could like to say that inspite of Shri Sarat Chandra Sinha's being a seasoned parliamentarian instead of apologising for the misdeeds he has done during the Congress regime, he has become very much excited and emotional towards the Janata Government and the Janata party for not mentioning things in details. But I would like to point out that during their regime, the people suffered a lot and therefore, the people have voiced their grivance by rejecting this Congress people; he has also termed the Governor as 'Hatabaga' man. But I think that the Governor has remained as he is ; he is not 'Hatabaga', but the former Chief Minister (Shri Sarat Chandra Sinha) is more 'Hatabaga' than the Governor. I would say how these 'Hatabaga' people have become elected and are not sitting in their seats, and rather left the House being ashamed ; and they cannot face the realities of their excesses. I would suggest that if they cannot face the House and they cannot face the realities they can resign the membership of the House rather keeping the seats vacant. How many seats are there and how many are occupied ; majority are vacant ; they cannot face the realities of their lives. Now I would go to the other points. Before that I would like to say that Shri Altaf Hussain Majumder has pointed out that the Congress party very recently has developed a love for the minorities. But we know, Sir, as a member of the one of the minority communities how the Congress Government played during the 30 years by keeping only some of their spokesman from minorities in the Congress and doing all kinds of discrimination against the minorities and this is why various minority people had rejected this Congress regime and they are to note it. I hope our popular Janata Government will avoid the pitfalls like the outgoing Congress regime. If the Janata do not deal with the minorities with justice, the minorities will also reject the Janata as they have done towards the Congress. One more point I would like to point out. One Mr. Akram Hussain from the Indira Congress pointed out that the Governors Address did not give any revolutionary ideas. The people who were trying to usher in a dictatorial regimes, who were trying to come back by nominating 126 candidates in the election won only 8 seats, they cannot expect a revolutionary system to come in this country through the Indira regime. The Indira Government presented the popular rights of the people and suppress the democratic right of the people and they cannot claim to bring revolution and uphold democracy.

In the face of this I would like to congratulate the Janata Government for its bold steps mentioned in the Governor's address in exempting land revenue to the extent of 10 bighas and its exemp-

tion fees upto Class X in all Secondary Schools. This will benefit the poorer section of the people who will get the light of education as a result of this step. These measures are an indication that our Janata Government stands to serve the poorest of the poor without beating the drums of its own in the Governor's address.

Mr. Speaker, Sir, everybody knows that agriculture is the backbone of our economy where more than 80% of our population depends upon agriculture directly or indirectly. Our Janata Government has given the greatest emphasis on agricultural development. In this connection it may be mentioned that the Janata Government has assigned the departments of flood control, irrigation and power under the same Minister. The proper co-ordination of these departments will go a long way in making agriculture grow faster to achieve the goals of 'Green Revolution'. In this connection I would like to suggest that the Janata Government will give due consideration to exempt the irrigation water cess to make irrigation schemes successful in the poorer areas where poor people are unable to pay the cess and therefore do not cultivate lands under irrigation schemes. Regarding flood control, I would like to draw the attention of the Minister in charge of the department concerned that the execution of the Barak dam project which had been slowed down during the Congress regime, the present Janata Government will give equal attention to both the Brahmaputra project and the Barak dam project. These projects when completed will go a long way to give benefits to the poor agriculturists both in the Brahmaputra valley and the Barak valley. The present Janata Government should be cautious enough to avoid step-motherly treatment towards the development projects in the district of Cachar for which effected-people are likely to raise the demand for separation of Cachar.

Regarding industrial development I would like to point out that notwithstanding 30 years of rule by Congress Assam has still remained a backward State. I would like to point out in this regard that the policy of our Janata Government in putting emphasis on the need for development of small scale and mini industries in the various areas. This is most desirable for an economy facing a gigantic problem of unemployment. Only labour- intensive small and tiny industries which will go a long way in solving the problem of unemployment of youths of our countryside. For this reason the policy of the Janata Government is to be apppeciated. In this connection, I would like to draw the attention of our Janata Government to keep proper vigil on the working of banks in the rural areas. I have some knowledge that in some cases the industrial and other developments could not be attaitned due to the negative attitude of some nationalised banks. The branches of some nationalised banks are wholly staffed by persons coming from big houses and cities and they have no sympathy with the rural masses and hence they fail to understand the sufferings of the rural people. The working of other developmental agencies are also to be streamlined to expedite industrial development of the State than what had been done during the Congress regime.

Mr· Speaker, Sir, I now wish to refer brifly to road communication in various parts of the State. It may be mentioned that road transport and communication constitute the most important basic infrastructure for economic upliftment of a nation. During the Congress rule roads were not developed to the need of our economy. In my Patharkandi constituency during the last 30 years no roads barring some portions of national highway had been made motorable throughout the year. There is a very urgent and pressing public demand for making the roads motorable during all seasons so that people can move swiftly during an emergency.

In Patharkandi Constituency road from Chandkhira to Kataltali and from Bazarichara to Rangamati are to be made metelled. Road from Kanaibazar towards Hailakandi is also improved. There should be bus service from Patharkandi to Hailakandi via Anipur and Ramkrisnanagar.

Mr. Spaker, Sir, much has been said regarding inadequate medical facilities provided to our poor people who are unable to pay high price of medical service. I suggest that there should one Primary Health Centre for every 10,000 population and there should be one hospital for every one lakh of people with a minimum of 25 beds. The present system of distribution of medicine is not what it should be. People are generally aggrieved about the distribution of medicines in the hospitals which is mainly 'coloured water' and suitable medicines are not provided. ( The speaker was ringing the bill )

Mr. Speaker, Sir, I want a little more time to come to a close. Regarding education the present Janata Government is to be congratulated for exemption of tuition fees upto Class X, but that is not enough. Arrangements are to be made for re-imbursement of fees for the venture schools started with the permission of the Government or started in response to the needs of a particular area. The Chief Minister has consented to meet the representatives of College teachers in a few days time. The Janata Government should immediately implement the UGC scales in regard to the college teachers of our State as has been done in other parts of the country. A clear policy should be introduced urgently regarding the teachers serving as honorary teachers with departmental approval for higher education and technical education. One college and a technical institute is urgently required for each constitueney having no such institution. At Patharkandi one college and a technical institute is most ungently necessary.

I would now like to bring the notice of the Janata Government the lot of the Tripuri people living in Assam. Sir, the Tripuri people are recognised by the Constitution as a Scheduled Tribe in various other parts of our country. But in Assam they are not recognised as Scheduled Tribe and as such they are not able to get the benefits provided to members of Scheduled Tribes. In Tripura they are recognised as Seheduled Tribe. I would like to draw the attention of our popular Janata Ministry to the fate of these people and that they should be treated with sympathy. They should be recognised as Plain Tribe enjoying all constitutional benefits and the Janata Government if necessary, take up the matter urgently with the Central Government.

Sir. with these few words I support the motion of thanks on vernor's address. And here I come to a close of my speech with thGo- and regards for you and other Hon'ble members present in this Hanks ouse.

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণ শুনিলো। এই ভাষণ সম্পৰ্কত মই ২।১ টা কথা কবলৈ বিচাৰিছো। আমাৰ জনতা চৰকাৰে যি ১০ বিঘা মাটিৰ খাজনা ৰেহাই দিলে, সেই খাজনা ৰেহাই দিয়াত দেখা গল যে, কিমান মানুহৰ ১০ বিঘাকৈ মাটি আছে ? যাৰ ১০ বিঘাকৈ মাটি আছে তেওঁ সেই মাটিৰ দ্বাৰাই তেওঁৰ পৰিয়ালৰ ভাল দৰে পোহ পাল দিব পাৰিছে। আনহাতে যিবিলাক মানুহৰ ১০ বিঘাতকৈ কম মাটি আছে, বা ৪।৫ বিঘা মাটি আছে তেওঁলোকৰ পৰিয়াল পোপাল দিবলৈ অসুবিধা হৈছে। এতিয়া আন এটা সমস্যাই দেখা দিয়াৰ সম্ভাৱনা আছে। প্ৰথমতেই খাজনা ৰেহাই দিয়াৰ লগে লগেই খাজনা যি ৰচিদ পোৱা হয়, সেই ৰচিদ বা প্ৰমান পত্ৰৰ পৰা আমি বঞ্চিত হম। অৰ্থাৎ আমাৰ ৰচিদ বা প্ৰমান পত্ৰ নাইকীয়া হব। হোৱাৰ লগে লগেই চৰকাৰৰ ঘৰত ৰেকৰ্ড নোহোৱা হব, কোনো প্ৰমানপত্ৰ নাথাকিব ।

অধ্যক্ষ মহোদয়, পট্টাৰ ক্ষেত্ৰত কওঁ যে, মাটি ১০ বিঘাৰ তলত হলে কোনো ৰেকৰ্ড পাতি হব যেন নালাগে। তাৰোপৰি এই দুখীয়া শ্ৰেণীৰ সৰ্ব্বসাধাৰণ ৰাইজে এই কম মাটিখিনিকে পৰিয়াল পোহপাল দিবৰ বাবে বেচা কিনা কৰে আৰু সমাজত থকা এক শ্ৰেণী চতুৰ মানুহে এই মাটি কিনি লয়। এইধৰণে নানা গন্দগোলৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। তাৰ পাছত এমপ্লইমেন্ট এক্সচেঞ্জত যি পট্টাৰ দেখুৱাৰ ব্যৱস্হা আছে, আমাৰ নতুন জনতা চৰকাৰে তাৰ এটা সুবন্দবস্ত কৰিব লাগে। আজি আমাৰ ইয়াত এনে কিছুমান মানুহ আছে, যিবিলাকে মাটিৰ পট্টাৰ অভাৱত এমপ্লইমেন্ট এক্সচেঞ্জত নাম ৰেজিষ্টাৰ কৰিব পৰা নাই। এইখিনিতে মই নিজৰ কথাকে কব বিচাৰিছো। মোৰ পিতাৰ মাটি নাই, গতিকে এমপ্লইমেন্ট এক্সচেঞ্জত নাম ৰেজিষ্টাৰ কৰিব নোৱাৰিলো। পিচত মই অন্য ৰাস্তা লব লগা হল। আমাৰ বহুতো শিক্ষিত মানুহ আছে যি সকলে পট্টাৰ অভাৱত নাম ৰেজিষ্টাৰ কৰিব পৰা নাই। আমি হাৰে হিমজুৰে অসমীয়া হৈ বাস কৰাৰ পিচতো নাম ৰেজিষ্টাৰ কৰিব পৰা নাই ! আজি যি মানুহ ৩ শ ৪ শ ধৰি অসমত বাস কৰি আছে তেওঁলোকক নাম ৰেজি-ষ্টাৰ কৰাৰ ব্যৱস্হা লয় যেন।

অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা ইন্দ্ৰাষ্টিৰ কথা কবলৈ বিচাৰিছো। যিটো ইন্দ্ৰাষ্টিয়ে মুখ্যমন্ত্ৰীৰ সীমাৰেখাৰ মাজেদি চুই গৈছে। বছেৰেকত ৪।৫ বাৰ এচিদ পানী, তেলৰ পানী এটা নলীয়েদি এৰি দিয়ে আৰু এই নলী বৈ আহি ডিগবৈৰ মাজেদি গৈ মুখ্যমন্ত্ৰীৰ তিনচুকিয়া সমষ্টি চুইছেগৈ। এই এচিদ মিহলি পানী খাই প্ৰত্যেক বছৰে অশেখ গৰু, মহ, ছাগলী আদিৰ মৃত্যু হয়। প্ৰত্যেক বছৰেই দাঁতিকাষৰীয়া গাওঁ বিলাকত গৰু মহ মৰি থাকে। এ, অ, চিৰ তেল কোম্পানীত দৰ্খাস্ত কৰিও ক্ষতিপূৰণৰ কোনো ব্যৱস্থা হোৱা নাই। দ্বিতীয়তে, এচিদ, তেল মিহলি পানী বাৰিষা কালত বাগৰি গৈ ধাননী পথাৰত সোমায় আৰু পথাৰৰ ধান আদি মৰি পেলায়। ইয়াৰ এটা স্থায়ী ব্যৱস্হা কৰিলে ভাল হয় আৰু গৰু মহো মৃত্যুৰ হাতৰ পৰা বাচিব, ধান শস্যও নষ্ট নহয়।

এই সম্পৰ্কত দুবাৰ চাৰভে হৈ গল, শ্চুইচ গেট আদি হল, কিন্তু কৃত-কাৰ্য্য নহল। ইয়াৰোপৰি সেই ইন্দ্ৰাষ্টিৰ পৰা এনে ধৰণৰ এটা গেচ ওলাই যে, নাকত ৰুমাল দিলেও সেই গেচৰ দ্বাৰা আক্ৰান্ত হৈ মানুহ কাহি কাহি লেবাজান হৈ যায়। অভিজ্ঞ লোক সকলৰ মতে সেই গেচ ৪ শ ৫ শ ফুট ওপৰত এৰি দিব লাগে নতুবা মাটিৰ তলত এৰি দিব লাগে । এইটো নকৰা বাবেই ডিগবৈত যক্ষাম, হাপানী আদি বেমাৰী বেছি দেখা যায়। গতিকে ইয়াৰ এটা ব্যৱস্হা সোনকালে লব বুলি আশা কৰিলো। অভিজ্ঞ মহলৰ পৰা জনা মতে এই ব্যৱস্হা কৰিবলৈ হলে কম পক্ষেও ৮।৯ লাখ টকাৰ ব্যয় কৰিব লগা হব।

ডিগবৈৰ পৰা মাকুম ১৮ মাইল দূৰত আৰু ডিগবৈৰ পৰা ডুমডুমা প্ৰায় ১৪ মাইল দূৰত। এই বিৰাট অঞ্চলটোত আজিলৈকে কোনো হাস্পাতাল নাই। এটা ডিচপেন্সেৰী তিনি বছৰ আগত চেংচন হৈছিল বুলি জানিব পাৰিছো। দিন হলে জানেব পাৰিছো এই ডিচপেন্সেৰীটো মুখ্যমন্ত্ৰীৰ, সমষ্টিৰ আৰু মোৰ সমষ্টিৰ মাজত কৰা লৈ টনা আজোৰা চলি আছে। ৫২ হাজাৰ লোকসংখ্যা থকা এই বিৰাট অঞ্চলটোত এটা ডিচপেন্সেৰী প্ৰয়োজনীয়তাৰ কথা মাননীয় সদস্য সকলে বিবেচনা কৰিব।

( সময়ৰ সংকেত ) ...

অধ্যক্ষ মহোদয়, ইয়াকে কৈ সামৰণি মাৰিলো।

শ্ৰীদেবানন্দ বৰা : অধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজ্যপালৰ ভাষণৰ ওপৰত বিভিন্ন দল উপদলৰ নেতা আৰু মাননীয় সদস্যই বিভিন্ন ধৰণৰ সমস্যাৰ কথা উত্থাপন কৰিছে।

Shri RANENDRA NARAYAN BASUMATARI—Mr. Speaker Sir, it is a very important discussion, but neither the Chief Minister nor the Deputy leader is present in the House.

Shri JAGANNATH SINHA, (Minister) Everything is being noted.

Shri PROMODE CHANADRA GOGOI—Sir, I raise a point of order. Under Rule 275(A) "The Minister concerned, when a matter relating to his portfolio is under discussion in the House, shall not leave the House without the previous permission of the Speaker". This is a general discussion on the speech delivered by the Governor and I think the Chief Minister will give reply. But the Chief Minister is absent from the House. He can go out with the Previous permission of the Speaker. May I know whether the Chief Minister has gone out of the House with your permission and if not whether he has violated the Rule 275 (A) ?

Shri JAGANNATH SINHA, (Minister) Chief Minister is busy in a meeting.

Shri PROMODE CHANDRA GOGOI—Whether he has taken the the permission of the Chair ?

Mr. Speaker—He is requested to come.

Shri PROMODE CHANDRA GOGOI—We are discussing the matters relating to the port-folios of other Ministers. They also cannot go without the previous permission of the Speaker. Therefore Sir, I submit that you will give a ruling that when a general discussion takes place the Ministers should be present in the House and take note of the points raised by the hon'ble members in course of their speeches.

শ্ৰীনগেন বৰুৱা ঃ মন্ত্ৰী সকল বিভিন্ন বিভাগীয় কামৰ কাৰণে চেম্বাৰত আছে। শ্ৰীগগৈ ডাঙৰীয়াই যি ধৰণে বিচাৰে কেবিনেটৰ সকলো সদস্য সকলো আলোচনাত উপস্থিত থাকিব লাগে তেনে কনভেনচন দেখা নাই। এই সদনে বিচৰা মতে হবলৈ হলে বহুখিনি প্ৰশাসনীয় কথাত অসুবিধা হব পাৰে। ঠিক কথা ৰল আছে বিভাগীয় মন্ত্ৰী গৰাকী উপস্থিত থাকিব লাগে । মুখ্যমন্ত্ৰী যাওঁতে কেবিনেটৰ সদস্য এজনক ভাৰ দি গৈছে আৰু আলোচনাৰ কথা বিলাক নোট কৰিছে । আগয়েও এনে কৰা দেখিছো ।

শ্ৰীযোগেন গগৈ ঃ মন্ত্ৰী কেইজন উপস্থিত আছে সেইটোহে প্ৰশ্ন। মন্ত্ৰী সকলে জনসাধাৰণৰ বক্তব্য বিলাক শুনাৰ ধৈৰ্য্য থাকিব' লাগে । নহলে সমাধানৰ পথ কেনেকৈওলাব ?

শ্ৰীইব্ৰাহিম আলি ঃ যদি মন্ত্ৰী সকল নাথাকে টাইপিষ্ট লৈ যাব, এনেকৈ হবনেকি ?

Mr. Speaker—The Cabinet is represented here.

Shri ABDUS SOBHAN—Then why they are following the Privious Government.

Mr. Speaker—I will look in to this whole matter.

শ্ৰীদেনানন্দ বৰা ঃ আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত বিভিন্ন ত্ৰুটি-বিচ্যুতিৰ কথা আলোচনা কৰা হৈছে। ৰাজ্যপালৰ ভাষণত কিছুমান গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰা হোৱা নাই। বিশেষকৈ খাদ্য বস্তুৰ মূল্য বৃদ্ধি সম্পৰ্কিত এই ভাষনত উল্লেখ নথকা কথাটো আমাৰ মাননীয় সদস্য সকলে উল্লেখ কৰিছে। এষাৰ কথা কব পাৰি যে নতুন চৰকাৰে ভবিষ্যতে এনে কথাৰ কাৰণে সতৰ্ক হব। আনহাতে সকলো কথাৰ বিশদ বিৱৰণ ভাষণত থকাটো সম্ভৱপৰ নহয়। ভাষণত বিভিন্ন ধৰণৰ কিছুমান কথা উল্লেখ নাই তত্ৰাস আমাৰ জনতা চৰকাৰে যি খিনি মৌলিক দাবী নিৰ্দ্ধাৰণ কৰিছে নতুন চৰকাৰ চলিবৰ কাৰণে সেই মৌলিক দাবী সমূহ এই ভাষণত দিয়া হৈছে। এই ক্ষেত্ৰত মই শিক্ষা সম্পৰ্কৰ কথা দাঙি ধৰিব খুজিছো। স্বাধীনতাৰ পিচত আমাৰ দেশৰ এটা জৰুৰী বিষয় আছিল দেশখনক শিক্ষিত কৰা। কিন্তু বিগত এই ৩০ টা বছৰত এই কংগ্ৰেছ চৰকাৰৰ দিনত দেশত শিক্ষিত হাৰ মাত্ৰ শতকৰা দহগুণ বৃদ্ধি হল। ৭০ ভাগ মানুহ নিৰক্ষৰ হৈ আছে। আজি জনতা চৰকাৰে এই ৭০ ভাগ নিৰক্ষৰতা দূৰ কৰিবৰ কাৰণে শিক্ষাত বিশেষ গুৰুত্ব দিছে। জনতা চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত অসমৰ সকলো গাঁৱতে প্ৰাইমাৰী স্কুল প্ৰতিষ্ঠা কৰিবৰ কাৰণে গ্ৰহণ কৰা সিদ্ধান্তৰ কথা ৰাজ্যপালৰ ভাষণত দাঙি ধৰা হৈছে । আমাৰ দেশ খনক শিক্ষিত কৰাটো মৌলিক প্ৰশ্ন বুলি বিবেচনা কৰে। আমাৰ দেশখনক আজি বিভিন্ন ধৰণৰ সমস্যাই আৱৰি ধৰিছে। এই সমস্যা এখন গাঁৱৰ বা এটা সমষ্টিৰ বা এখন জিলাৰ নহয়, গোটেই দেশৰ সমস্যা । শিক্ষা সমস্যা, খোৱাপানী সমস্যা নিবনুৱা সমস্যা সমগ্ৰ দেশৰ সমস্যা। বিভিন্ন ধৰণৰ সমস্যা সমাধানৰ ব্যৱস্থা ৰাজ্যপালৰ ভাষনত থকাটো সম্ভৱপৰ নহয় । বিভিন্ন সময়ত নতুন কাৰ্য্যসূচী মতে জনতা চৰকাৰে এই সমস্যা সমূহৰ সমাধানৰ কাৰণে পৰৱৰ্ত্তী কাৰ্য্যসূচীত প্ৰতিফলন হব ।

এটা কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে এই সমস্যাসমূহ সমাধান কৰাৰ কাৰণে আমাৰ জনসাধাৰণে জনতা চৰকাৰক এই সদনলৈ পঠাইছে । জনতা চৰকাৰক ক্ষমতা প্ৰদান কৰিছে নতুন চৰকাৰ কৰিবৰ কাৰণে। জনতা চৰকাৰে যি প্ৰতিশ্ৰুতি নিৰ্ব্বাচনী ঘোষণাপত্ৰত দিছিল-তাক সদনত জনাইছে। নিৰ্ব্বাচনৰ যোগেদি নতুন পৰিৱৰ্ত্তন হল। ৩০ বছৰত

কংগ্ৰেছ চৰকাৰে ভাৰতৰ জনসাধাৰণক মৌলিক জ্ঞান-গণতন্ত্ৰৰ জ্ঞান ৰাজনীতিৰ জ্ঞান দিয়া নাই। ভোট দিলে কি হয় ভোটৰ দ্বাৰা কেনেকৈ চৰকাৰ সলনি হয় মৌলিক জ্ঞান কংগ্ৰেছ চৰকাৰে জনসাধাৰণক নিদিলে। কংগ্ৰেছ চৰকাৰে দেশখনৰ অৰ্থনৈতিক অৱস্থা শোচনীয় কৰিলে। দেশৰ সাধাৰণ মানুহে এমুঠি ভাতৰ কাৰণে এখন কাপোৰৰ কাৰণে হাঁহাকাৰ হৈ আছে।

সৰৱক্ষেত্ৰী সমষ্টিৰ মাননীয় সদস্যজনে এমুঠি ভাতৰ কাৰণে বেশ্যা বৃত্তি গ্ৰহণ কৰাতো কংগ্ৰেছ চৰকাৰে আনিছে বুলি কৈছে। এই সকলোবিলাক কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাতো অসম্ভৱ। মৌলিক অধিকাৰৰ যোগেদি গণতন্ত্ৰৰ ভেটিত নতুন চৰকাৰ গঠিত হোৱাত গণতন্ত্ৰৰ ভেটি দৃঢ় হৈছে। মই আশা ৰাখিছো কংগ্ৰেছী বিৰোধীপক্ষই জনসাধাৰণৰ যি মতামত তাক তেওঁলোকে নতশিৰে গ্ৰহণ কৰিব। গণতন্ত্ৰৰ পৰম্পৰাৰ সোগেদি চৰকাৰ সলনি কৰে সেই সন্মানিত তেওঁলোকে সমৰ্থন জনাব। তেওঁলোকে দেশখনৰ সমস্যা সমাধান নকৰিলে। এই সমস্যা সমাধান কৰিবৰ কাৰণে জনতা চৰকাৰক ৰাইজে বিচাৰিছে আৰু এই কামত তেওঁলোকে সমৰ্থন জনাব। বক্তা সকলে বিভিন্ন ধৰণৰ খুটি-নাতি দাঙি ধৰিছে। সেই গোটেইখিনি কথা মই দাঙি ধৰিলে নিশ্চয় মোৰ বক্তব্য দীঘলীয়া হব। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই বক্তৃতাৰ প্ৰসঙ্গত মিছা আইনৰ কথা উল্লেখ কৰিছিল। তেনে ধৰণৰ মিছা আইন আমি সমৰ্থন কৰা নাই আৰু চৰকাৰেও সেই আইন সমৰ্থন নকৰে। এইষাৰ কথা সচাঁ নহয় যে তেনে ধৰণৰ আইন আমাৰ দেশত বাহাল ৰাখিবৰ কাৰণে জনতা চৰকাৰে প্ৰচেষ্টা কৰিছে।

ইয়াৰ ওপৰিও বিভিন্ন ধৰণৰ উন্নয়ণমূলক কাম ইতিমধ্যে কেন্দ্ৰৰ জনতা চৰকাৰে গ্ৰহণ কৰিছে। কেন্দ্ৰৰ জনতা চৰকাৰৰ উন্নয়ণমূলক কাম সমূহৰ ভিতৰত নিবনুৱা সমস্যা সমাধানৰ কাৰণে আজি নতুন আঁচনি গ্ৰহণ কৰিছে। কুটীৰ শিল্পৰ যি প্ৰস্তাৱনা কৰা হৈছে নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে সেই কথা এই ভাষণত উল্লেখ কৰা হৈছে।

শ্ৰীযোগেন গগৈ ঃ মাননীয় সদস্য জনে কুটীৰ শিল্পৰ কথা কৈছে। তেল শোধানাগৰৰ নিচিনা বৃহত উদ্যোগৰ কথাত কিয় নামাতে?

শ্ৰীদেবানন্দ বৰা ঃ অধ্যক্ষ মহোদয়, তেল শোধানাগৰৰ ক্ষেত্ৰত যি প্ৰশ্ন উঠিছে অসমৰ জনসাধাৰণে তেল শোধানাগৰৰ কাৰণে আন্দোলন কৰিছিল আৰু জনতা পাৰ্টিৰ মাননীয় সদস্যসকলেও তাত যোগ দিছিল। যদি দৰকাৰ হয় নতুন তৃতীয় তেল শোধনাগৰৰ কাৰণে জনতা চৰকাৰে দাবী কৰিব। তাৰ কাৰণে যদি আন্দোলন কৰিব লগা হয় আন্দোলন কৰিব বুলি জনসাধাৰণক প্ৰতিশ্ৰুতি দিছে। আজি মন্ত্ৰীৰ পৰা আৰম্ভ কৰি চাপ্ৰাচীলৈকে প্ৰত্যেকজনেই দুৰ্নীতিত লিপ্ত হৈছে।

শ্ৰীহেমেন দাস ঃ মই প্ৰত্যাহবান জনাইছো, আমি দুৰ্নীতি পৰায়ণ নহওঁ।

শ্ৰীদেবানন্দ বৰা ঃ মই এইষাৰ কথা কৈছো যে প্ৰশাসন যন্ত্ৰত থকা লোকসকল দুৰ্নীতি পৰায়ণ হৈছে।

শ্ৰীহেমেন দাস ঃ এই কথাষাৰ উঠাই লব লাগে।

Shri NARENDRA NATH DUTTA—Sir, what right he has got to say that everybody is corrupt? He should withdraw it.

শ্ৰীদেবানন্দ বৰা ঃ এইষাৰ কথা উঠাই লৈছো । গোটেই প্ৰশাসন যন্ত্ৰটোত কেৰোণে ধৰিছে।

শ্ৰীহেমেন দাস ঃ গোটেই যন্ত্ৰটোত যদি কেৰোণে ধৰিছে আৰু যদি দুৰ্নীতি পৰায়ণ হয়-কেনেকৈ দেশ চলি আছে ?

(ভইচেচ - এই কথা পুনৰ উঠাই লব লাগে)

মাননীয় অধ্যক্ষ ঃ সম্পূৰ্ণৰূপে উঠাই লৈছে নে?

শ্ৰীদেবানন্দ বৰা ঃ সম্পূৰ্ণৰূপে উঠাই লৈছো। প্ৰশাসনিক সংস্কাৰৰ কথা ৰাজ্যপালৰ ভাষণত দাঙি ধৰিছে । আশা ৰাখিছো প্ৰশাসনীয় সংস্কাৰৰ যোগেদি আমাৰ দেশৰ প্ৰশাসন সফল হব। ইয়াৰ যোগেদি জনসাধাৰণে পৰিবৰ্ত্তন বিচাৰিছে। আমাৰ জনতা চৰকাৰে যিখিনি প্ৰতিশ্ৰুতি দিছে তাক ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে আৰু ইয়াৰ যোগেদি দেশত নতুন পৰিবৰ্ত্তন আহিব। আমাৰ দেশৰ বিভিন্ন সমস্যা যেনে নিবনুৱা সমস্যা, খোৱাপানীৰ সমস্যা সমাধান হব। শিক্ষাৰ ক্ষেত্ৰত ইতিমধ্যে যিমান খেলিমেলি হৈছে সেই-বিলাকৰ সমাধান হব। এই সমস্যা সমাধানৰ ক্ষেত্ৰত আমি ৰাইজ আৰু বিৰোধী পক্ষৰ সদস্য সকলৰ সহযোগ কামনা কৰিছো। সকলোৰে সহযোগ পালে সমস্যা সমাধানৰ পথ সুগম হব আৰু দেশখন নতুন ৰূপত ৰূপায়িত কৰিব পাৰিম। ধন্যবাদ।

শ্ৰীপদ্ম লোচন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত জনতা চৰকাৰৰ ফালৰ পৰা আমাৰ মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ ডাঙি ধৰিছে তাত মই সম্পূৰ্ণ সমৰ্থন আগ বঢ়াইছো ।

মই আজি এই সন্মানিত সদনত আমাৰ ভৈয়ামৰ জনজাতি লোকৰ সমস্যা সম্পৰ্কে কিছু কথা কব বিচাৰিছো। আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুতো কথাই মাননীয় সদস্য সকলৰ বক্তৃতাত কোৱা হৈছে। কিন্তু মই অতি দুখীয়া যে আমাৰ ভৈয়ামৰ জনজাতি সকলৰ দেখ দেখ বহুতো সমস্যা থকা ৰাজ্যপালৰ ভাষণত প্ৰাইবিলাক কথাকেই ডাঙি ধৰা নাই। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহু ঠাইতেই ভৈয়ামৰ জনজাতিৰ লোকসকল বসবাস কৰি আছে—তাৰ ভিতৰত বড়ো আৰু মিচিং জনজাতিৰ লোকেই বেছি। বিগত কংগ্ৰেছ শাসনত অতিষ্ঠ হৈ আৰু কংগ্ৰেছৰ কু-কাৰ্য্যৰ কাৰণে আমাৰ ভৈয়ামৰ জনজাতিৰ লোকসকলে অসমৰ মাটিত নিজৰ গৃহভূমি সৃষ্টি কৰিবলৈ বাধ্য হৈছে। ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই আজি ভৈয়ামৰ জনজাতিৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি জনতা চৰকাৰে যি ৰাজনীতিৰ মেৰপাকত হাত মিলাই লৈছে তাত তেখেতে কৈছে ইয়াত নিশ্চয় কিবা এটা ভিতৰুৱা কথা আছে বুলি সন্দেহ কৰিছে। এই ক্ষেত্ৰত ভূতপূৰ্ব মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হিংসাৰ ভাৱ হৈছে বুলি মই কব বিচাৰিছো। তেখেতে আমোলা তন্ত্ৰৰ কথা বেছিকৈ কব ধৰিছে।

আজি বেছি দিনৰ কথা মই কব খোজা নাই । ১৯৭৩ চনত আগৰ জন মুখ্যমন্ত্ৰীৰ দিনত বড়ো ভাষা-ভাষী সকলে যেতিয়া ৰোমান লিপি লাগে বুলি আন্দোলন কৰিছিল তাৰ পৰিপ্ৰেক্ষিতত যি নীতি চৰকাৰে ললে সি বড়ো ভাষা-ভাষী সকলৰ পক্ষে নাছিল। বড়ো সাহিত্য সভাই কৈছিল যে তেওঁলোকৰ দাবী যদি চৰকাৰে মানি লয় তেন্তে তেওঁলোক অসমীয়া ভাষা এভিচনেল বিষয় হিচাবে লবলৈ ৰাজি থকা বুলিও প্ৰতিশ্ৰুতি দিছিল । কিন্তু দুৰ্ভাগ্যৰ বিষয় অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰীয়ে সেই লিপি তেওঁলোকক নিদিলে।

বৰং এই বড়ো ভাষা-ভাষী সকলৰ ওপৰত১৯৭৩ চনৰ মে আৰু জুন মাহত যেতিয়া বড়ো ছাত্ৰ-ছাত্ৰী সকলে আন্দোলন কৰিছিল তেতিয়া তেওঁলোকৰ ওপৰত অনেক অত্যাচাৰ অনাচাৰ কৰিছিল। তাৰ পিচত ১৯৭৪ চনৰ নবেম্বৰ মাহত পুণৰ ৰোমাণ লিপিৰ সংক্ৰান্তত আন্দোলন হৈছিল তেতিয়া বিজনী, চিদনী আৰু মঙ্গলদৈ বৰপেটা আদিত হোজা ছাত্ৰ-ছাত্ৰী আৰু বড়ো ৰাইজ সকলৰ ওপৰত এই চৰকাৰে গুলিবৰ্ষণ কৰিছিল। এই সম্বন্ধে আমাৰ বিধান সভাৰ ভূতপূৰ্ব সদস্য আৰু বৰ্ত্তমানৰ এম, পি শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই দাবী তুলিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় তেতিয়াও চৰকাৰে এই সম্বন্ধে কোনো ব্যৱস্থা হাতত নললে। আনকি এই আন্দোলনত যি ১৪ জন স্বহীদ হল সেই কথালৈ আজিও কোনো ন্যায় তদন্ত নহল বৰং মামলা-মোকদৰ্মা চলি থাকিল।

সদনৰ সদস্য বন্ধু আৰু মাননীয় অধ্যক্ষৰ মাৰফত আমাৰ নতুন চৰকাৰক মই আহবান কৰিব বিচাৰিছো যে এই হোজা, সৰল বড়ো ভাষা-ভাষীসকল, যি সকলে যুগ যুগ ধৰি অসমত বসবাস কৰি আহিছে আৰু তেওঁলোকৰ যি সকল ছাত্ৰ-ছাত্ৰীৰ ওপৰত যি মামলা-মোকৰ্দমা আছে সেইবোৰ অতি সোনকালে উঠাই লব লাগে।

ৰাজ্যপালৰ ভাষণত প্ৰশাশনীয় সংস্কাৰৰ শিতানত জনজাতীয় লোক সকলৰ ৰক্ষণা বেক্ষণৰ কাৰণে লিপি বন্ধ কৰা হৈছে, কিন্তু কি ধৰণে ৰক্ষণা-বেক্ষণ কৰিব তাৰ কোনো ইঙ্গিত তাত দেখা পোৱা নাই। গতিকে মই আশা ৰাখিছো আগৰ কংগ্ৰেছী চৰকাৰে জন-জাতীয় লোক সকলৰ ক্ষেত্ৰত যি নীতি গ্ৰহণ কৰিছিল সেই নীতি যাতে বৰ্ত্তমানৰ চৰকাৰে গ্ৰহণ নকৰে। ৰাজ্যপালৰ ভাষণত আৰু এটা কথা আমি দেখা পাইছো যে জনজাতীয় লোকৰ উন্নয়ন আৰু পৰিকল্পনাৰ কাৰণে বহুত কোটি টকা খৰচ দেখুৱাইছে। কংগ্ৰেছ চৰকাৰৰ দিনত যেনেকৈ দালাল সকলে এই শিতানৰ টকাবিলাক আত্মসাৎ কৰিলে সেইদৰে যাতে তেওঁলোকে আত্মস্যাত কৰিব নোৱাৰে তাৰ কাৰণে যেন জনতা চৰকাৰ সচেতন হয়। ট্ৰাইবেল ডেভেলপমেন্ট কৰপৰেচনৰ যোগেদি যি টকা চৰকাৰে জন জাতীয় লোক সকলক দিয়াৰ ব্যৱস্থা কৰিছিল সেই টকা তাৰ মেম্বাৰ সকলে আত্মস্যাত কৰাত কোনো কামত নাখাটিল। সেই কাৰণে মই আশা কৰো জনতা চৰকাৰে এই ডেভেলপমেন্ট বৰ্ডবোৰ যেন ভাঙি দিয়াৰ ব্যৱস্থা কৰে।

(সময়ৰ সংকেট)

অধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিৰ বিষয়ে অলপ কব খুজিছো। মই বিজনী সমষ্টিৰ পৰা আহিছো । এই সমষ্টিৰ পানবাৰীত মনাহ ৰেঞ্জৰ এটা টাইগাৰ প্ৰজেক্ট কৰিছে । কিন্তু সেইটো চৰকাৰৰ দ্বাৰা ভালকৈ সংৰক্ষিত হোৱা নাই । যোৱা ফাগুন মাহত এজন দুখীয়া কৃষকৰ দুটা ল'ৰা সৰিয়হ তুলিবলৈ যাওঁতে বাঘে ডিঙিত চেপি ধৰিলে। সেই অঞ্চল-টোত ঠিক ভাবে চৰকাৰে প্ৰটে কচন দিব পৰা নাই। এই বিষয়ে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক বিহিত ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বহল নকৰো। মই আশা ৰাখিছো আমাৰ যি ৰোমাণ লিপিৰ আন্দোলন হৈছিল সেই সংক্ৰান্তত এটা সুস্থ নীতি সোনকালে চৰকাৰে লৈ জন-জাতীয়লোক সকলক ৰক্ষণা-বেক্ষণ দিব।এই আশা ৰাখি মই মোৰ বক্তৃতাৰ সামৰণী মাৰিছো।

Shri GIASUDDIN AHMED:—Mr. Speaker sir, we are discussing the Governor's address at a time which much turning point in the political History of Assam. The 30 years congress rule has come to an end. The Janata party has come to power. And for the first time in the history of this Legislative Assembly we find here as many as 24 honourable members representing different left parties which believe in scientific socialism. Sir, I think this is a very significant development in the political history of Assam and this gives an indication of a possible third alternative of the left democratic forces. But unfortunately we have missed the bus. Let us not blame each other. Let us hope for the best in future. Now, Sir, the Janata party is in power to day and our Comrade Promode Gogoi has rightly observed that it is not yet time to make any critical assessement of the performances of the Janata Government, which has just taken over a few days back. But then the Governor's address, as is the tradition, reflects Government policy that is going to be followed in different spheres. By the Governor's address we are discussing, I am sorry to say, Sir, I am disappointed as we were being disappointed year after year from the Governor's address during the Congress regime. It is very difficult for me to find out any difference between the Governor's address during the previous Congress regime and this Governor's address. It is the same old tradition just kept intact. I hope the purformances of the Janata Government will dis-prove me. Sir, several subjects have been mentioned such as land reforms, agriculture, unemployment, industries and other matters have also been discussed here. We would like to know what would be the land reform policy of the Janata Government? We have Tenency Act, we have the Ceiling Act passed during the Congress regime and these acts, their loopholes, short-comings were discussed in this House time without number. Personally I am very glad, some of our old colleagues and old friends who were very much vocal in the Opposition are now in the Treasury Bench, I hope they will remember those old days and these were discussed threadbare and many concrete suggestions were put forward; but unfortunately the Government did not accept them. Regarding land reform measures, there is time for discussion about the Ceiling Act and other land reform measures. There was a proposal for passing an act for the welfare of the agricultural workers, there was just a talk which never this materialised was one of the items in the 20 point programme, which we supported. but unfortunately we were disappointed. High sounding words were heard but in practice, every Hon'ble member will bear me out nothing has been done. I would like to know what would be the policy of the Government regarding land reform measures, what is the policy of the Government regarding the question of removal of rural indebtedness which Comrade Hemen Das has referred to and many other programmes. Sir, the question of industrialisation is there, the question of agriculture is there. In the Governor's address a scheme has been mentioned which is known as Benor plan for intensive agricultural development. Well this is a baby born in Wasnington, I do not know whether it is legitimate or illegitimate, then Congress Government adopted that baby from Washington. Now the Congress Govt. is not in power and it is being readopted by the Janata Government. I do not know what will happen to this imported baby of Washington. Time is very short. Sir, there is a question of decentralisation of power, devolution of responsibility to the local bodies

viz. Panchayat, Municipalities etc. This is an important policy adopted by this Government, that is very good. But, Sir, I would like to submit that decentralisation is a process and this proeess should start from the top. It cannot start half way. We have our Constitution. There are as many as 3 Lists, viz. Union List, State List and Concurrent List and that it is claimed that ours is a federal type ; but in fact, all the powers have been concentrated in the Union Government. When this present Government has adopted this decentralisation policy as an important policy I am very much interested to know about the proposal that is being put forward before the Union to reallocation of powers between the State and the Union. It is a very big country, Sir, and unless the States are given more power it would be simply impossible for any State to make any progress in the socio-economic field. Well, unity and integrity of the country must be maintained, that is true. Let them have power in foreign affairs, defence matters, currency, Post and Telegraph, communications etc, But the other subjects may be given to the States. I am very much interested to know what is the policy of this Government in this regard. When they have said that they have adopted this policy, an imortant policy of decentralisation of power, I hope this Government will participate in the top, in the national debate that is going on for distribution of subjects between the States and the Union.

There are other matters also. This Government is advocating free trade policy and at the same time they are advocating that prices would be stabilised. Well, these two things cannot go together. If we give freedom to the traders we cannot expect price to be stabilised. These are the important matters which must be considered in this House and a decision must be taken in this regard. Any way Sir, the question of unemployment problem is there. How this unemployment problem will be solved. Other matters like education we will have ample oportunities to discuss during the budget discussion.

I hope as this Government has come to power with the determination to undo the misdeeds of the Congress regime. Definitely there were misdeeds during emergency and there were many excesses. Thosg excesses should be enquired into now and action should be taken. Before concluding, I will give an instance of exsess committed during emergency. Times without number this matter was discussed in the House and it was brought to the notice of the then Chief Minister and the then Home Minister—and it was also brought to the notice of the then Prime Minister--But unfortunately nothing was done. They turned a deaf ear to this. We have supported the emargency for which we were blamed. We protested against the excesses. Let me make it clear Sir, —we were also victims of such excesses. Here is one concrete instance, which I hope the present Government would take up and do justice. Here is a letter which was addressed to the then Chief Minister and Home Minister dated 13th September 1976—as mony as 4 members of this House signed this letter. I would like to bring this to the notice of the House.

"We like to bring the following facts to your notice for necessary action.

"In response to the call of the All India Kishan Sabha 150 Kishans of the Golokganj P. S. area peacefully assembled in front of the office of the S.D.C. Golokganj on 9th September 1976 and started hunger strike quite peacefully in demand of speedy and proper implementation of the 20 point programme, besides other demands for the benefit of the weeker section of the people. The hunger strikers were absolutely peaceful. But at about 2-45 p.m. one O.C. namely Nirendra Sarkar Roy accompanied by armed police suddenly pounced upon the hunger strikers without any provocation what so ever and began to assult them right and left and threatened to shoot them if the hunger strike was continued".

Thus most of the hunger strikers were forced to disperse. But 22 of them were rounded up to the police and taken to the Golokganj Police Station. There in front of the Police Station one of hunger strikers namely Sahabuddin Ahmed was mercilessly and brutally beaten and thereafter he was hand cuffed and tied with a postlike an animal.

Apart from that there are cases of the same nature which I hope the Chief Minister would look into. I hope and believe that that wrong doers who were contributors to these things should be brought to book. There are hundreds of such excesses all over the State. I would be very glad if those excesses were enquired into even now and action taken.

শ্ৰীবদ্ধ বৰুৱা ঃ ৰাজ্যপালৰ ভাষণত ধন্যবাদ জনোৱাৰ আগতে ইয়াৰ সম্পৰ্কত এটা কথা দেখিবলৈ পাইছো যে পূৰ্ববৰ্ত্তী চৰকাৰৰ দিনত যেনেকৈ এখন গতানুগতিক ভাষণ আহিছিল এতিয়াও সেই একে ধৰণৰেই ৰাজ্যপালৰ ভাষণ আহিছে। এই কথা এই কাৰণেই কব খুজিছো যে ইয়াৰ আগতে এটা চৰকাৰ আছিল সেই চৰকাৰটো বেয়া। আৰু এতিয়া যিটো চৰকাৰ হৈছে সেই চৰকাৰটো ভাল। এই ভাল বেয়াৰ যিটো পাৰ্থক্য সেইটো ৰাজ্যপালৰ ভাষণত ফুটাই তুলিব লাগিছিল। সেইটো নকৰা কাৰণে গোটেই কথা খিনি আমাৰ বুজাত ভুল হৈছে। ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে গ্ৰহণ কৰিব লগীয়া কাৰ্য্যকৰী ব্যৱস্থাবলীৰ সম্পৰ্কে এই ভাষণত হুবহু হিচাবে দাঙি ধৰিব পৰা নাই। যেনে কৃষি উন্নয়ন, উদ্যোগ প্ৰতিস্থা, নিবনুৱা সমস্যা দূৰীকৰণ, এই বিলাক সমস্যা কেনেকৈ সমাধান কৰিব সেই বিলাকৰ কোনো পৰিস্কাৰ ছবি ইয়াত নাই। আমাৰ ৰাজ্য খনৰ শতকৰা ৮০ ভাগ মানুহে কৃষি জীৱি। বাকী ১৫ জন লোকে খেতিৰ ওপৰত নিৰ্ভৰ কৰে।

## ADJOURNMENT

Mr. SPEAKER : Order order, the hon. member would continue on 27th. The House stands adjourned till 10 a.m. Monday, the 27th instant.

The House then rose at 5 p.m. and stood adjourned till 10 A.M. on Monday, the 27th March, 1978,

Dated, Dispur.
23-3-78.

P. D. BARUA
Secretary
Assam Legislative Assembly.

AGP. (L.A.) 566/78—1,200—2-9-78.